সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২৩ সংখ্যা, ২১ জেঠ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 23 * Date Of Publication - 5 June 2022 Rs.10.00/-

## অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণত খালী হৈ থকা আটাইকেইটা মন্ত্ৰীপদ পূৰণ নহয়ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° শৰ্মাই কাৰ্বি আংলঙত নিৰ্বাচনী প্ৰচাৰৰ মাজতে সংবাদ মাধ্যমৰ আগত কয় যে বৰ্তমান অসম মন্ত্ৰীসভাত ৫টা মন্ত্ৰীপদ খালী হৈ আছে। ৯ জুনত হ'বলগীয়া অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণত খালী হৈ থকা আটাইকেইটা মন্ত্ৰীপদ, আসন্ন সম্প্ৰসাৰণত পূৰণ নহয়। তাৰ এটা অংশহে পূৰ্ণ হ'ব। অহা ৮ জুনৰ গধূলি আসন্ন সম্প্ৰসাৰণৰ সময়ত কিমানটা মন্ত্ৰীপদ পূৰণ কৰিব, সেই বিষয়ে প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই সম্প্ৰসাৰণত এজনতকৈ বেছিও মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ'ব পাৰে বা এজনো মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ'ব পাৰে। মুঠতে এই সম্প্ৰসাৰণ এটা ক্ষুদ্ৰ সম্প্ৰসাৰণহে হ'ব। অৱশ্যে পাহাৰীয়া জিলাৰ পৰা এজন প্ৰতিনিধিয়ে মন্ত্ৰীসভাত স্থান পাব। পাহাৰীয়া জিলা ডিমা হাছাও আৰু কাৰ্বি আংলঙৰ পৰা ৫গৰাকী বিধায়ক আছে। যোৱা বিধানসভা নিৰ্বাচনত সেই ৫টা সমষ্টিতে বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। মন্ত্ৰীসভা গঠনৰ সময়ত পাহাৰীয়া জিলাৰ পৰা যিহেতু এজনো মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হোৱা নাই, সেয়ে এইবাৰ এজনক অন্তৰ্ভুক্ত কৰা হ'ব। মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সম্পৰ্কত মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা ৬ জুনৰ গধূলি নতুন দিল্লীলৈ যাব বুলি জানিবলৈ দি কয় যে সেই দিনা তেওঁ নতুন দিল্লীলৈ গৈ বা দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ সৈতে টেলিফোনযোগে যোগাযোগ কৰি মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সম্পৰ্কত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। অহা ৮ জুনত মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিবলগীয়া বিধায়কৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিব আৰু ৯ জুনৰ বিয়লি ৩ বজাত শপতগ্ৰহণ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। সেই দিনাই গধূলি দপ্তৰ বিতৰণ কৰা হ'ব। সকলোখিনি প্ৰণালীবদ্ধভাৱে হ'ব। আনহাতে, মন্ত্ৰীসভাৰ এই সম্প্ৰসাৰণৰ সময়ত কোনো মন্ত্ৰী অপসাৰিত নহয় বুলি স্পষ্ট কৰি দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দুই-এজন মন্ত্ৰীৰ দপ্তৰ সালসলনি হ'ব। অসম মন্ত্ৰীসভাৰ আসন্ন সম্প্ৰসাৰণৰ সময়ত মিত্ৰদল ইউ পি পি এলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে সংবাদ মাধ্যমৰ আগত কয় যে অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ সময়ত ইউ পি পি এলৰ এজনক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা সম্পৰ্কত ইতিপূৰ্বে মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰা হৈছে। সেয়ে সম্প্ৰসাৰণৰ সময়ত তেওঁলোকৰ কোনো বিধায়ক মন্ত্ৰীসভাত স্থান পাব বুলি আশা কৰে।

## সম্পাদকীয়ঃ

## বিশ্ব পৰিবেশ দিৱস



বিশ্ব পৰিবেশ দিৱস মাথো এটি দিৱস নহয়, ই সমগ্ৰ মানৱ জাতিৰ এক অবিচ্ছেদ্য অংগ।পৰিবেশৰ লগত ভাৰসাম্যতা ৰক্ষা কৰি চলাতো মানৱজাতিৰ এক প্ৰধান কৰ্তব্য।পৰিবেশৰ লগত ভাৰসাম্যতাৰ হীন-তেৰি হোৱাৰ লগে লগে মানব জাতিলৈ নামি আহিব পৰা চৰম বিপৰ্য্যয়ৰ বিষয়ে দোহাৰাৰ প্ৰয়োজন নিশ্চয় নাই। বিভিন্ন গছ-গছনি, জীৱ-জন্তুৱেই হ'ল প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰি চলাৰ প্ৰধান আহিলা। প্ৰকৃতিৰ লগত যদি আমি সহাৱস্থান নকৰো, আমাৰ অৰ্থাৎ মানব জাতিৰ বিপৰ্য্যয় অৱশ্যম্ভাবী। এক সুস্থ পৰিবেশ অবিহনে সুস্থ মানব জাতিৰ কল্পনা অমূলক। সুস্থ পৰিবেশ এটা গঢ় দিবলৈ আমি প্ৰতিজন নাগৰিকৰে যথেষ্ট কৰণীয় আছে। আমাৰ উঠি অহা প্ৰজন্মইও এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগিব পৰিবেশৰ ভাৰসাম্যতা ৰক্ষা কৰি চলিবৰ বাবে। আহক আমি সকলোৱে এটি দিৱসৰ গণ্ডীৰ বাহিৰহৈ এক সুস্থ সবল পৰিবেশ গঢ় দিবলৈ হাতে হাত ধৰি বদ্ধপৰিকৰ হওঁ।

## ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰৰ বাবে এক ভাল খবৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰৰ বাবে আহিছে আন এক ভাল খবৰ। পুনৰ কমনৱেলথ গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছে অসম সন্তান শিৱ থাপাই। নেতাজী সুভাষ ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিষ্ঠানত ট্ৰায়েলৰ ফাইনেলত বিজয় পঞ্জীয়ন কৰাৰ পিছত পাঁচবাৰৰ এছিয়ান চেম্পিয়নশ্বিপ পদক বিজয়ী শিৱ থাপা আৰু অমিত পাংঘালে ২০২২ কমনৱেলথ গেমছৰ বাবে ভাৰতীয় পুৰুষ বক্সিং দলত আন ছয়জন পুজিলিষ্টৰ সৈতে নিজৰ স্থান সুৰক্ষিত কৰে। শিৱ থাপাই প্ৰতিযোগিতাখনত ৬৩.৫ কিলোগ্ৰাম শাখাত প্ৰতিদ্বন্দিতা আগবঢ়াব। ইয়াৰ পূৰ্বে শিৱ থাপাই ২০১৪ চনৰ গ্লাচগ' কমনৱেলথ গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। ভাৰতীয় দলত প্ৰৱেশ কৰা আন ছয়জন ব'ৰৰ ভিতৰত আছে ২০১৮ চনৰ ব্ৰঞ্জ পদক বিজয়ী মহম্মদ হুচামুদ্দিন (৫৭ কিলোগ্ৰাম), ৰোহিত টোকাছ (৬৭ কিলোগ্ৰাম), ৰাজত্ব কৰা ৰাষ্ট্ৰীয় চেম্পিয়ন সুমিত (৭৫ কিলোগ্ৰাম), আশীষ কুমাৰ (৮০ কিলোগ্ৰাম), সঞ্জিত (৯২ কিলোগ্ৰাম) আৰু সাগৰ (৯২ কিলোগ্ৰাম)। আগন্তুক ২৮ জুলাই পৰা আগষ্টৰ ৮ তাৰিখলৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে ভাৰতীয় পুৰুষ দলটোৰ নিৰ্বাচিত কৰা হৈছে যদিও বৰ্তমানেও মহিলাৰ দলটো নিৰ্বাচিত কৰা হোৱা নাই।

## Guidence Academyত বিশ্ব পৰিবেশ দিৱস উৎযাপন




ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি ৪ জুন শনিবাৰে নগাঁৱৰ এখন আগশাৰীৰ বিদ্যালয় Guidence Academyত প্ৰথম শ্ৰেণীৰ পৰা পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সমন্বিতে শিক্ষকসকল একগোট হৈ এখনি চিত্ৰাঙ্কন প্ৰতিযোগিতাৰ লগতে বৃক্ষ ৰূপন কাৰ্যসূচী ৰূপায়ন কৰে। বিদ্যালয় খনৰ অধ্যক্ষা বিনা শইকীয়া আৰু অধ্যক্ষ প্ৰয়াগ জ্যোতি শইকীয়া তথা সমূহ শিক্ষক শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পৰিবেশ সম্পৰ্কে সচেতনতা অনাৰ উদ্দেশ্যে তেওঁলোকৰ সাৰুৱা বক্তব্য দাঙি ধৰে।

# গুৱাহাটীত ধঁপাত বিৰোধী দিৱস




ৰঙিলী বাৰ্ত্তাসেৱা- ইউএছটিএম, পিকিউএইছ স্কুল অৱ এডুকেশ্বন এন্দ ডিপাৰ্টমেন্ট অৱ চ'চিউলজিৰ উদ্যোগত আৰু ইন্দিয়ান ডেন্টেল এছ'চিয়েশ্বন, আসাম আৰু আৰোহন ফাউন্দেশ্বনৰ সহযোগত ইউএছটিএমৰ প্ৰফেচাৰ এনকেচিৰ প্ৰেক্ষাগৃহত ধঁপাত বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। অধ্যাপক ড° গায়ত্ৰী গোস্বামীয়ে আদৰণি ভাষণ দিয়া সভাত ইউএছটিএমৰ উপাচাৰ্য জি ডি শৰ্মা, প্ৰাক্তন অধ্যক্ষ ড° বলেন্দ্ৰ কুমাৰ দাস, উপদেষ্টা ড° আৰ কে শৰ্মা, বিশিষ্ট ব্যক্তি ড° ৰবীন্দ্ৰ সিং, ৰাজ্যিক দাতব্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডা° মিতালী বৰা, আৰোহণ ফাউন্দেশ্বনৰ অধ্যক্ষ ড° সীমা বৰা, ডেন্টেল এছ'চিয়েশ্বনৰ সম্পাদক ডা° প্ৰতিম তালুকদাৰ, অনুপম ডেকা আদি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে ধঁপাতৰ অপকাৰীতাৰ বিভিন্ন দিশ বিশদভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানত জয়দীপ পুৰাকায়স্থই প্ৰজেক্টৰৰ জৰিয়তে উপস্থিতসকল ছাত্ৰ ছাত্ৰীৰ মাজত ধঁপাত সেৱনৰ ফলত কেনেদৰে শৰীৰত অপকাৰ কৰিব পাৰে তাক সুন্দৰভাৱে বিশ্লেষণ কৰে। শেষত ধঁপাত বিৰোধী শ্ল'গানেৰে পুত্তলিকা দাহ কৰে।

# ৰাজ্যিক মাষ্টাৰছ এথলেটিকছৰ সফল সামৰণি




ৰঙিলী বাৰ্ত্তাসেৱা- অসম এথলেটিকচ সন্থাৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত দুদিনীয়াকৈ অনুষ্ঠিত প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰছ এথলেটিকচ প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ উৰ্ধৰৰ ৰাজ্যখনৰ এথলীট সকলৰ অংশগ্ৰহনে প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তোলে। এই ৰাজ্যিক প্ৰতিযোগিতাখনত বাছনি হোৱা খেলুৱৈসকলে অহা ১৬-১৯জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰছ এথলেটিকচ প্ৰতিযোগিতাত অংশগ্ৰহন কৰিব। প্ৰতিযোগিতাখনত প্ৰায় ৪০০তকৈও অধিক ইভেন্ট অনুষ্ঠিত হয়। প্ৰথমবাৰৰ বাবে আয়োজিত প্ৰতিযোগিতাখনত ৮০ উৰ্ধৰৰ খেলুৱৈসকলৰ অংশগ্ৰহনে দৰ্শক হিচাপে উপস্থিত থকা যুৱ প্ৰজন্মৰ খেলুৱৈসকলক উৎসাহিত কৰি তোলে। বিশেষকৈ খেলত অংশগ্ৰহন কৰি আমাৰ খেল চাই আমাৰ নাতি-নাতিনী খেলিবলৈ ওলাই আহক বুলি ৮০উৰ্ধৰ এথলীট এগৰাকীয়ে মন্তব্য প্ৰকাশ কৰে। অসম এথলেটিকচ সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা প্ৰতিযোগিতাৰ প্ৰতিটো পদক্ষেপক প্ৰসংশা কৰি ভিন্ন জিলাৰ পৰা অহা এথলীট সকলে লগতে প্ৰকাশ কৰে যে খেল খেলি পোন প্ৰথমবাৰৰ বাবে ইভেন্ট সমাপ্তিৰ পিছতে মেডেল লাভ কৰিবলৈ সক্ষম হোৱাটো এক ইতিহাসস্বৰূপ বুলি মন্তব্য কৰে এথলীট সকলে।

# পাঞ্জাবাৰী সেউজী কবি সন্মিলনৰ কাব্যচ'ৰা



ৰঙিলী বাৰ্ত্তাসেৱা- পাঞ্জাবাৰী সেউজী কবি সন্মিলনৰ ৩য় দ্বিমাহিলি কবিতা চ'ৰা পাঞ্জাবাৰী উদ্যান প্ৰাঙ্গনতআজি অনুষ্ঠিত হয়। সহকাৰী সম্পাদিকা সমীজান বেগমে আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে শাখাৰ সভাপতি মফিজুদ্দিন আহমদে। অসম কবি সন্মিলনৰ সভাপতি অতুল তামুলী, মুখ্য অতিথি অন্নপ্ৰভা কাকতি, বিশিষ্ট অতিথি হৰেশ্বৰ ডেকা, কাৰ্য্যকৰী সভাপতি ড° পাৰুল গোস্বামীৰ লগতে পৰ্যালোচিকাৰূপে ড° চৈয়দা জাহানাৰা বেগমে মঞ্চত আসন গ্ৰহণ কৰে । বিশিষ্ট অতিথি হৰেশ্বৰ ডেকাই তেওঁৰ ভাষণত কয় যে অসমীয়া এটা প্ৰাচীন আৰু সমৃদ্ধ ভাষা, ইয়াৰ শব্দ ভাণ্ডাৰ অতিকৈ চহকী যদিও বাংলা ভাষা আদিৰ তুলনাত ই বহুতো পিছপৰি আছে আৰু তুলনামূলকভাৱে ই স্তিমিত হৈ পৰিছে । ইয়াক আগুৱাই নিয়াৰ দায়িত্ব আজিৰ প্ৰজন্মৰ । মুখ্য অতিথি অন্নপ্ৰভা কাকতিয়ে কয় যে কবিতাৰ সংজ্ঞা সঠিকভাৱে এতিয়ালৈকে কোনেও ঠিৰাং কৰিব পৰা নাই। সম্ভৱতঃ কবিতাৰ সৃষ্টি প্ৰথম আমাৰ দেশতে হৈছিল। এতিয়া আমাৰ কৰ্তব্য ইয়াক আগুৱাই লৈ যোৱা। ভাল কবিতা ৰচনা কৰিবলৈ কবি সকলে আন আন কবিৰ কবিতা অধ্যয়ন কৰাৰ নিতান্ত প্ৰয়োজন বুলিও উল্লেখ কৰে। অনুষ্ঠানটোত অতুল তামুলীয়ে বেলাড বা কাহিনীগীতি সম্পৰ্কে আৰু ড° চৈয়দা জাহানাৰা বেগমে জ্ঞানপীঠ বঁটা প্ৰাপক নীলমণি ফুকনৰ বিষয়ে প্ৰৱন্ধ পাঠ কৰে। আজিদা বেগম, অঞ্জনা দাস, মনোমোহন শইকীয়া, দীপিকা কলিতা, ৰুণুদেৱী শৰ্মা, গিৰিজা দেৱী, মহেশ্বৰ বৰা, হৰেশ্বৰ ডেকা, অন্নপ্ৰভা কাকতি, মাধুৰী ভূঞা কলিতা আৰু মফিজুদ্দিন আহমদে কবিতা পাঠ কৰে। ডাঃ উপেন কাকতিয়ে জীৱনানন্দ দাসৰ 'বনলতা সেন' কবিতাটি আবৃত্তি কৰাৰ উপৰিও সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায়। সভাত শাখাটিৰ আৰম্ভণি গীত সম্পৰ্কেও এটি প্ৰস্তাৱ গ্ৰহণ কৰা হয় । এই সভাতে কেইবাজনো অসম কবি সন্মিলনৰ আজীৱন সদস্যৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

# দোতাৰা সাংস্কৃতিক সমাজৰ 'ৰবীন্দ্ৰনাথ আৰু উত্তৰ পূৰ্ব' অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত আৰু দোতাৰা সাংস্কৃতিক সমাজৰ উদ্যোগত শনিবাৰে ৰবীন্দ্ৰ ভৱন প্ৰেক্ষাগৃহত 'ৰবীন্দ্ৰনাথ আৰু উত্তৰ-পূৰ্ব' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী, সম্মানীয় অতিথি হিচাপে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ড° দেৱজিৎ খনিকৰ, বিশিষ্ট অতিথি হিচাপে পুলক বেনাৰ্জী, জনপ্ৰিয় অভিনেতা প্ৰাঞ্জল শইকীয়া, প্ৰাক্তন প্ৰশাসনীয় বিষয়া মাধুৰিমা বৰুৱা সেন, মধুৰকঙ্কনা ৰয় আৰু ড° মল্লিকা কন্দলি উপস্থিত থাকে। অনুষ্ঠানত বিশিষ্ট সংস্কৃত ভাষাবিদ, অনুবাদক, গীতিকাৰ-সুৰকাৰ ৰঞ্জন কুমাৰ বেজবৰুৱাক সম্বৰ্ধনা জনোৱা হয়। 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ' শীৰ্ষক এটি মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তীয়ে। উত্তৰ-পূৰ্বৰ বাৰেৰহনীয়া লোকসংস্কৃতিৰ সৈতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ সঙ্গীতৰ এটি সমন্বয়ৰ প্ৰয়াসেৰে অনুষ্ঠিত হ'ল নৃত্য-গীতি-আলেখ্য 'আমাৰ ৰবীন্দ্ৰনাথ'। অনুষ্ঠানত নৃত্য আৰু সঙ্গীত প্ৰতিযোগিতাৰ বঁটা বিতৰণ কৰা হয়। শলাগৰ শৰাই আগবঢ়াই সংস্থাৰ সাধাৰণ সম্পাদক পাৰ্বতী ভট্টাচাৰ্যই।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল অহা ৭ জুনত ঘোষণা

ৰঙিলী বাৰ্ত্তাসেৱা- টুইটযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে যে চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল অহা ৭ জুনত ঘোষণা কৰা হ'ব। অসম মাধ্যমিক শিক্ষা সংসদ (ছেবা)ৰ ৱেবছাইটৰ জৰিয়তে শিক্ষাৰ্থীসকলে ফলাফল লাভ কৰিব। তদুপৰি এছ এম এছ আৰু পি ডি এফ ফাইলৰ জৰিয়তেও মেট্ৰিক পৰীক্ষাৰ ফলাফল উপলব্ধ হ'ব বুলি জানিব পৰা গৈছে। পূৰ্বৰ দৰে এইবাৰো মেট্ৰিকৰ ফলাফলত থাকিব শীৰ্ষ দহটা স্থান। উল্লেখ্য যে যোৱা ১৫ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছিল। চলিত বৰ্ষত ৪ লাখৰো অধিক শিক্ষাৰ্থী অৱতীৰ্ণ হৈছে।

# হ'বলগীয়া স্বামীৰ সৈতে মিলি প্ৰৱঞ্চনাৰ অভিযোগ

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰৱঞ্চক প্ৰেমিকৰ সৈতে ধনদাবী কৰা বুলি উঠা অভিযোগ আৰু গোচৰৰ সন্দৰ্ভত গড়মূৰ থানাৰ আৰক্ষীয়ে জেৰা কৰিব এছ আই জোনমণি ৰাভাক। পুৱাই মাজুলীত উপস্থিত হয় এছ আই জোনমণি ৰাভা। মাজুলীৰ গড়মূৰ থানাই সোধ-পোচৰ বাবে জোনমণি ৰাভাক তলব কৰিছিল। মাজুলীত ৰুজু হোৱা ৩টা গোচৰ সন্দৰ্ভত জোনমণিক আৰক্ষীয়ে সোধা-পোছা কৰিব। কেইবাগৰাকীও ভুক্তভোগীয়ে জোনমণি ৰাভাৰ বিৰুদ্ধে হ'বলগীয়া স্বামী ৰাণা পগাগৰ সৈতে মিলি প্ৰৱঞ্চনা কৰাৰ অভিযোগ তুলিছিল। অজিত বৰা, ৰাম অৱতাৰ শৰ্মা আৰু ৰঞ্জন কুটুমে দিয়া গোচৰসমূহত নাম সাঙোৰ খাই আছিল এছ আই জোনমণি ৰাভাৰ নাম ইফালে ৰাণা পগাগক ১৪ দিনৰ ন্যায়িক জিম্মাত দিয়া হৈছিল যদিও বুধবাৰে মাজুলী জিলা কাৰাগাৰৰ পৰা নগাঁও আৰক্ষীয়ে লৈ যায়। গড়মূৰ আৰক্ষীৰ তদন্তত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# ধৰ্মীয় সংখ্যালঘুৰ বিপৰীতে জনগোষ্ঠীয় প্ৰমাণপত্ৰ প্ৰদানৰ দাবী

ৰঙিলী বাৰ্ত্তাসেৱা- ধৰ্মীয় সংখ্যালঘুৰ বিপৰীতে জনগোষ্ঠীয় প্ৰমাণপত্ৰ প্ৰদানৰ দাবী জনাইছে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে। দিছপুৰ প্ৰেছ ক্লাবত আয়োজন কৰা সংবাদমেলত সংগঠনটোৰ কাৰ্যকৰী সভাপতি নুৰুল হ'ক আৰু যুটীয়া সাধাৰণ সম্পাদক চহিদ আলী আহমেদে কয়-মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ মে' মাহৰ অন্তিমখন অৰ্থাৎ ২৯ মে'ত কেবিনেটত অসমৰ ধৰ্মীয় সংখ্যালঘু সকলক প্ৰমানপত্ৰ দিয়াৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেই বিষয়টোত একমত হ'ব পৰা নাই। কেবিনেটৰ সিদ্ধান্ত আৰু মুখ্যমন্ত্ৰীৰ বক্তব্যত কিছু ক্ৰুতি আৰু আসোৱাহ দেখা পোৱা গৈছে। চৰকাৰী পক্ষই উল্লেখ কৰা ইছলাম ধৰ্মাৱলম্বী মুছলমান শব্দটোত কোন খিনি মুছলমানৰ কথা কৈছে সেই কথাটোৰ স্পষ্টীকৰণ দিব লাগে বুলি অনুভৱ কৰিছোঁ কাৰণ মুছলমান হিচাপে অসমত থলুৱা বহিৰাগত প্ৰব্ৰজনকাৰী আদি ভিন্ন প্ৰকাৰৰ আছে। অসমৰ সকলো থলুৱা জাতি জনগোষ্ঠীৰ উপৰিও বৰ্তমানৰ চৰকাৰে গৰিয়া মৰিয়া দেশী আদি জনগোষ্ঠীৰ ইতিবৃত্ত ভালকৈ জানেঢ তাৰ পাছতো সকলোকে একাকাৰ কৰিব বিছৰাটো সহজ ভাবে মানি লব পৰা নাই। কোনো কাৰণতে সকলো মুছলমানক একাকাৰ কৰি ধৰ্মীয় সংখ্যালঘু বুলি কোৱা মুছলমানৰ লগত একেখন মঞ্চত কোনো দিনে নাথাকে আৰু একত্ৰিত নহয়। যিহেতু বিগত সময়ত আমি নিজকে কোনো দিনেই সংখ্যালঘু বুলি ভবা নাই আৰু সংখ্যালঘুৰ নামত অহা সকলো সা-সুবিধাৰ আচঁনি আদিৰ পৰা কেতিয়াও লাভৱান হোৱা নাই আৰু এই ধৰ্মীয় সংখ্যালঘুৰ মাজতে সংখ্যালঘু হৈ বছৰ বছৰ ধৰি বঞ্চিত আৰু অৱহেলিত হৈ আহিছে। সকলোবোৰ কথা অত্যন্ত গভীৰ আৰু সুক্ষ্মভাৱে জনাৰ পাছতো আজি মুখ্যমন্ত্ৰীৰ তেনে এক বিপৰীত বক্তব্য সংবাদ মাধ্যমত দেখা পোৱা গল। যি বক্তব্যই পুনৰ গৰিয়া মৰিয়া দেশী আদি জনগোষ্ঠীৰ লোক সকলক কেৱল অসন্তুষ্ট কৰাই নহয় প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে। বছৰ বছৰ ধৰি হৈ অহা অপমানিত, কেতিয়াবা বাংলাদেশী, কেতিয়াবা বহিৰাগত, বিদেশী, ডি ভোটাৰ হোৱাৰ উপৰিও বিদেশীৰ সন্দেহত ডিটেনচন কেম্পলৈ পঠোৱা হৈছিল এই থলুৱা জনগোষ্ঠীৰ লোক সকলক, একমাত্ৰ ধৰ্মটো একে হোৱাৰ বাবে। সংগঠনটোৱে দীৰ্ঘদিন ধৰি সংগ্ৰাম কৰি আহিছে একমাত্ৰ সুকীয়া জনগোষ্ঠীয় পৰিচয় বিচাৰি। মুখ্যমন্ত্ৰীয়ে অসমৰ সকলো ইছলাম ধৰ্মাৱলম্বী লোকক সংখ্যালঘুৰ নামত একাকাৰ কৰি আমাৰ জনগোষ্ঠীয় পৰিচয় নিঃশেষ হোৱাটো আমি কেতিয়াও মানি ল'ব নোৱাৰো ।অসম চৰকাৰৰ এই কৌশলপূৰ্ণ, হঠকাৰী সিদ্ধান্তই অসমৰ গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ দীৰ্ঘদিনীয়া দাবীক নস্যাৎ কৰা যেন লাগিল। জনগোষ্ঠী কেইটাৰ সন্মান আৰু স্বাভিমানত আঘাট হনা পৰিলক্ষিত হৈছে। আমাৰ




জনগোষ্ঠী কেইটাৰ এইখন অসমত গৌৰৱ উজ্জ্বল ইতিহাস, ঐতিহ্য, বৰ্ণিল কৃষ্টি-সংস্কৃতি আছে। নিজ জনগোষ্ঠীয় পৰিচয় থকাৰ পাছতো আমাক সংখ্যালঘু সকলৰ সতে একাকাৰ কৰি কোৱা কথা বতৰা অত্যন্ত দুখজনক। এই ক্ষেত্ৰত আমি সংগঠনৰ তৰফৰ পৰা অসম চৰকাৰক কঠোৰভাৱে নিন্দা কৰিছোঁ। ইতিহাস প্ৰসিদ্ধ জনগোষ্ঠী কেইটাক ৰাজনৈতিকভাৱে হত্যা কৰাৰ চেষ্টা নকৰিব বুলি এই চৰকাৰৰ ওপৰত আমাৰ এতিয়াও আস্থা আৰু বিশ্বাস আছেঢ মুখ্যমন্ত্ৰীয়ে বিশেষকৈ সকলো ইছলাম ধৰ্মাৱলম্বীৰ লোকক যাতে সংখ্যালঘু সজাই একাকাৰ নকৰে। মুখ্যমন্ত্ৰীৰ সেই বক্তব্য পুনৰ সংশোধন কৰি গৰিয়া মৰিয়া দেশী সকলক জনগোষ্ঠীয় পৰিচয়ৰ আধাৰত চিনাক্ত কৰণৰ ব্যৱস্থা কৰাৰ লগতে সংখ্যালঘু প্ৰমানপত্ৰৰ পৰা বাতিল কৰাৰ দাবী জনালোঁ। আমাৰ সুকীয়া জৰীপ কৰি গৰিয়া মৰিয়া দেশী আদি জনগোষ্ঠী সকলক সুকীয়া জনগোষ্ঠীয় প্ৰমাণপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰকঢতেতিয়াহে এই থলুৱা ইছলামধৰ্মী সকল ৰক্ষা পৰিব আৰু মান-মৰ্যাদা সহকাৰে বৰ্তমান আৰু ভৱিষ্যত প্ৰজন্মই বসবাস কৰি থাকিব পাৰিব।

# আইএএছএছটিত বিজ্ঞান বিষয়ক চুটি গল্প লিখনিৰ কৰ্মশালা

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ পশ্চিম বৰাগাঁওস্থিত বিজ্ঞান আৰু প্ৰযুক্তিৰ উচ্চঅধ্যয়ন প্ৰতিষ্ঠান চমুকৈ আইএএছএছটিৰ উদ্যোগত বিজ্ঞান ভিত্তিক চুটিগল্প লিখনিৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনৰ মূল উদ্দেশ্য আছিল প্ৰতিস্থানটোৰ কৰ্মৰত বিজ্ঞানী আৰু গৱেষক ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ দ্বাৰা আৱিস্কৃত তত্ত্বগধুৰ গৱেষণাৰ পত্ৰ আৰু উদ্ভাৱন সমূহ স্থানীয় ভাষাৰ মাধ্যমেৰে সহজ সৰলভাৱে সৰ্ব্বসাধাৰণ মানুহে বুজি পোৱাকৈ লিখি উলিয়াব পৰা বিভিন্ন প্ৰণালী আৰু কৌশলগত প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থকা শিশু সাহিত্যৰ ২০১৪ চনৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অসমীয়া বিজ্ঞান সাহিত্যৰ জনপ্ৰিয় লিখক তথা বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামীৰ লগতে আন এগৰাকী অসমীয়া সাহিত্যৰ লিখক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতীৰ ভাষণ আৰু অসমীয়া বিজ্ঞান সাহিত্যৰ জনপ্ৰিয় চুটিগল্পৰ প্ৰশিক্ষণৰ দ্বাৰা উপস্থিত গৱেষক ছাত্ৰ ছাত্ৰী তথা বৈজ্ঞানিকসকলক যথেষ্ট উপকৃত কৰে। অনুষ্ঠানত উপস্থিত থকা আন দুগৰাকী সমল ব্যক্তি যথাক্ৰমে আসাম ট্ৰিবিউন কাকতৰ কাৰ্যবাহী সম্পাদক প্ৰশান্ত জ্যোতি বৰুৱা আৰু তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দুৰসংযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অভিজিৎ বৰাই ইংৰাজী সাহিত্যৰ দ্বাৰা বিজ্ঞানৰ তত্বগধুৰ কথাসমূহ সহজ আৰু সাৱলীলভাৱে জনসাধাৰণৰ মাজত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত থকা বিভিন্ন কিটিপ আৰু পদ্ধতিৰ বিষয়ে আগবঢ়োৱা ভাষণে উপস্থিত সকলক যথেষ্ঠ উপকৃত কৰে ।অনুষ্ঠানৰ শেষত কৰ্মশালাখনৰ অংশগ্ৰহণকাৰী সকলক ই চাৰ্টিফিকেট প্ৰদান কৰা হয়। প্ৰতিষ্ঠানটোৰ পঞ্জীয়ক ড° দিগন্ত গোস্বামীৰ শলাগৰ শৰাই তথা সামৰণি ভাষণেৰে কৰ্মশালাখনৰ সামৰণি পৰে।

# হাৰ্ট কেয়াৰ ছ'চাইটি অৱ আসামৰ সজাগতা সভা




ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব উচ্চৰক্তচাপ প্ৰতিৰোধ মাহৰ লগত সংগতি ৰাখি গুৱাহাটীৰ ডাউন টাউন হাস্পতালৰ সহযোগত হাৰ্ট কেয়াৰ ছ'চাইটি অৱ আসামে ডাউন টাউন হাস্পতালত এখনি সজাগতা সভা অনুষ্ঠিত হয়। ডা° প্লাবিতা শ্লেঙে পৰিচালনা কৰা সভাখনিত সন্মানীয় অতিথি হিচাপে ডাউন টাউন হাস্পতালৰ মুখ্য চিকিৎসা বিষয়া ডা° এন. এন.দত্ত আৰু সমল ব্যক্তি হিচাপে উপস্থিত থাকে ছ'চাইটিৰ চেয়াৰমেন জ্যেষ্ঠ হৃদৰোগ বিশেষজ্ঞ ডা° নিৰ্মলকান্তি ভট্টাচাৰ্য, ডা° বলিন্দ্ৰ কুমাৰ গগৈ, দিছপুৰ হাস্পতালৰ জ্যেষ্ঠ হৃদৰোগ বিশেষজ্ঞ ডা° বনজিৎ চৌধুৰী, ডাউন টাউন হাস্পতালৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডা° হৃষিকেশ বৰা, আৰু ডাউন টাউন হাস্পতালৰ জ্যেষ্ঠ প্ৰসূতি বিশেষজ্ঞ ডা° উদয়ণ বৰুৱা। হাৰ্ট কেয়াৰ ছ'চাইটি অৱ আসামৰ কাৰ্যনিৰ্বাহক সদস্য ডণশিখা বেজবৰুৱা গোস্বামীয়ে এটি বৰগীতেৰে শুভাৰম্ভণ কৰাৰ পাছতেই ডাউন টাউন হাস্পতালৰ চুপাৰইনটেনডেন্ট ডা° উদয়ণ বৰুৱাই আদৰণি ভাষণেৰে সকলোকে স্বাগতম জনায়। কেন্দ্ৰীয় উপ সভাপতি ইক্ৰামুল মজিদে ছ'চাইটিৰ বিষয়ে এটি পৰিচয়মূলক বক্তৃতা দাঙি ধৰে ।প্ৰায় শতাধিক লোকৰ উপস্থিতিত ডা° নিৰ্মল কান্তি ভট্টাচাৰ্যই উচ্চ ৰক্তচাপ কাৰণ, প্ৰতিৰোধ সম্পৰ্কে বিতংকৈ বক্তৃতা প্ৰদান কৰে। নিলাক্ষী গোস্বামী বৰুৱাৰ শলাগৰ শৰাইৰে সভা সামৰণি মৰা হয়।


# অগপ শক্তিশালী কৰাৰ লক্ষ্য অসম যুৱ পৰিষদৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসম গণ পৰিষদ দলৰ আমবাৰীস্থ মুখ্য কাৰ্য্যালয়ত আজি অসম যুৱ পৰিষদৰ এখন গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সভা পৰিষদৰ সভাপতি জিতু বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত অসম যুৱ পৰিষদৰ সাংগঠনিক দিশৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। সভাত অসম যুৱ পৰিষদে প্ৰতিটো সমষ্টিতে বিধান পৰিষদৰ উদ্যোগত পঞ্চায়ত সভাৰ জৰিয়তে যুৱ প্ৰজন্মক ঐক্যবদ্ধ কৰা আৰু দলৰ সদস্যভৰ্তি অভিযান ব্যাপক কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই গুৱাহাটীত এখন কেন্দ্ৰীয়ভাৱে ৰাজনৈতিক কৰ্মশালা অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে। ২০ জুনত, বিষ্ণু ৰাভা দিৱসৰ লগত সংগতি ৰাখি কেন্দ্ৰীয়ভাৱে টিয়ক বিধান পৰিষদৰ উদ্যোগত বিষ্ণু ৰাভা দিৱস উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে ৫ জুনত বিশ্ব পৰিৱেশ দিৱস প্ৰতিটো বিধান পৰিষদকে পালন কৰিবলৈ আহ্বান জনায়। সভাই অসম যুৱ পৰিষদৰ সংগঠন শক্তিশালী কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় সমিতিৰ সকলো বিষয়ববীয়াক জিলা সমূহত দায়িত্ব অৰ্পন কৰে। সভাত যুৱ পৰিষদৰ তত্বাৱধায়ক তথা অসম গণ পৰিষদ দলৰ সাধাৰণ সম্পাদক মনোজ শইকীয়া উপস্থিত থাকি কয় যে, তৃণমূল পৰ্য্যায়ৰ পৰা যুৱ প্ৰজন্ম আকৰ্ষিত হোৱাকে কাৰ্য্যসূচী গ্ৰহণ কৰি দলটো শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। সভাত অসম গণ পৰিষদ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই যুৱ পৰিষদৰ কাম-কাজক প্ৰশংসা কৰি যুৱ নেতৃত্বই ৰাজ্যখনৰ জনসাধাৰণৰ কাষত থাকি ৰাজ্যখনৰ বিকাশৰ লগতে উন্নয়ণৰ স্বাৰ্থত আত্মনিয়োগ কৰিব লাগিব বুলি মন্তব্য কৰে। সভাত দলৰ কাৰ্য্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তই বাস্তৱমুখী কৰ্মসূচীৰ জৰিয়তে যুৱ প্ৰজন্মক ঐক্যবদ্ধ কৰিবলৈ আহ্বান জনায়। সভাত অসম গণ পৰিষদ দলৰ উপ সভাপতি সুনীল ডেকা, সম্পাদক তথ্য প্ৰচাৰ ড° তপন দাস, মুখপাত্ৰ কিশোৰ দেউৰী প্ৰমুখ্যে কেইবাজনো দলৰ কেন্দ্ৰীয় বিষয়ববীয়া উপস্থিত থাকে।

# শিক্ষাৰ সামগ্ৰিক স্থিতি উন্নয়নৰ বাবে আমি কিদৰে চিন্তা কৰিব পাৰোঁ....

মানসী মিশ্ৰ

সমাজত শৃংখলিত জীৱন ধাৰাৰ প্ৰৱৰ্তনৰ লগেলগেই প্ৰতিজন মানুহে নিশ্চয় শিক্ষাক উন্নয়নৰ, জীৱনৰ প্ৰগতিৰ এক মাপকাঠী বুলি ধৰা হৈছে। আনুষ্ঠানিক শিক্ষাৰ সেই সময়ত যদিও বিশেষ সম্প্ৰসাৰণ আৰু অগ্ৰগতি আজিৰ দৰে ইমান বিস্তৃত আৰু সুদুৰ প্ৰসাৰী হোৱা নাছিল তথাপিও জ্ঞানৰ অন্বেষণ আৰু উত্তৰণৰ বাবে বেলেগ বেলেগ ধৰণে চেষ্টা কৰা হৈছিল। আজিৰ বিশ্বায়নৰ যুগত সমাজৰ অগ্ৰায়ণৰ ক্ষেত্ৰত শিক্ষাকেই প্ৰথম মাপকাঠী হিচাপে গণ্য কৰা হৈছে। আমি নিঃসন্দেহে কব পাৰোঁ মানুহৰ মনত যিবোৰ ভ্ৰান্তধাৰণা, কুসংস্কাৰ, অন্ধবিশ্বাসে বাহ লয়, সেইবোৰ আঁতৰ কৰাত বিশেষভাৱে অৰিহণা যোগাব পাৰে। অৱশ্যে কেৱল আনুষ্ঠানিক শিক্ষাৰে ডিগ্ৰী, ডিপ্লমা লোৱাটোৱেই শিক্ষাৰ তাৎপৰ্য্য লুকাই নাথাকে, জীৱনত গ্ৰহণ কৰা আনুষ্ঠানিক শিক্ষাটোক নিজৰ ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিব পৰাটো সমানেই গুৰুত্বপূৰ্ণ কথা। সমাজখনক যদি আমি এটা পক্ষী বা চৰাই বুলি ধৰি লওঁ তেন্তে এই চৰাইটোৰ দুয়োখন ডেউকা সমানে কাৰ্য্যক্ষম হলেহে সমাজৰ প্ৰগতি সম্ভৱপৰ। কিয়নো সমাজত পুৰুষ আৰু মহিলা সমানে শিক্ষিত হলেহে শিক্ষাৰ




কাৰ্য্যকাৰিতা আৰু শিক্ষাৰ প্ৰায়োগিকতা সম্ভৱপৰ হব। সেয়েহে বহুযুগ আগতেই সম্ৰাট নেপোলিয়ন বোনাপাৰ্টে কৈ গৈছিল- "মোক কেইগৰাকী মান ভাল মাতৃ দিয়া, মই তোমালোকক এটা সুসত্য জাতি উপহাৰ দিম" এটা পৰিয়ালৰ পৰা এখন ৰাষ্ট্ৰৰ গঠনলৈকে মহিলাৰ বৰগুণি বা অৱদান অনবদ্য আৰু অনস্বীকাৰ্য্য। এটা পৰিয়ালত এগৰাকী মাতৃয়ে সন্তান জন্ম দি লালন পালন কৰি উপযুক্ত আৰু প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব পাৰিলে তাৰ পৰাই এখন সুস্থ আৰু সুশৃঙ্খল হ'লে তাৰ প্ৰভাৱ পোনপটীয়াকৈ, ৰাষ্ট্ৰ গঠন বা জাতি গঠন প্ৰক্ৰিয়াতো পৰিলক্ষিত হয়। গতিকে এগৰাকী ছোৱালীক শিক্ষিত কৰা মানে এখন দেশক শিক্ষিত কৰা। কিন্তু পৰিতাপৰ কথা যে আমাৰ সমাজত ছোৱালীৰ শিক্ষাৰ হাৰ অতি নিম্নগামী। চহৰাঞ্চত প্ৰায়ভাগ ছোৱালীয়ে স্কুল-কলেজৰ শিক্ষাগ্ৰহণ কৰা পৰিলক্ষিত হয়, কিন্তু আমি যদি গাঁৱৰ ভিতৰুৱা অঞ্চললৈ যাওঁ, যে বহুসংখ্যক ছোৱালীয়ে এতিয়াও স্কুলৰ দুৱাৰমুখ গৰকা নাই। এতিয়াও বহুসংখ্যক ছোৱালী বিদ্যালয়লৈ গৈ নোপোৱা বা বিদ্যালয় আধাতে এৰাৰ মূলতে সমাজৰ বহুতো অন্ধবিশ্বাস আৰু তথা কথিত বদ্ধমূল ধাৰণা জড়িত হৈ আছে। এখন দেশৰ, এখন সমাজৰ প্ৰগতি বা অগ্ৰগতিটো প্ৰকৃতাৰ্থত নিৰূপণ কৰা হয় গাওঁ অঞ্চলত হোৱা অগ্ৰগতিৰ মূল্যায়নৰ জৰিয়তে কিয়নো আমাৰ মুঠ জনসংখ্যাৰ ৭০ লোকেই গাৱঁত বাস কৰে। গাৱঁৰ পৰা ওলাই অহা মেধা বা প্ৰতিভাসম্পন্ন লোক সকল সুশৃঙ্খলিত আৰু প্ৰণালীবদ্ধ চিন্তাধাৰাৰ মাজেদি হে চহৰ অঞ্চলৰ উন্নয়নৰ বা অগ্ৰগতিৰ পৰিকাঠাম টো নিৰ্মিত হয়। সেয়েহে চহৰ অঞ্চলত অৱস্থিত কেইখনমান বিদ্যালয় বা মহাবিদ্যালয় শিক্ষান্ত পৰীক্ষাৰ ফলাফল সমূহ অথবা চহৰ অঞ্চলৰ কেইটিমান বচা বচা পৰিয়ালত সৃষ্ট চিকিৎসক, অভিযন্তা অথবা বিষয়াৰ যোগেদি দেশৰ শিক্ষাৰ অগ্ৰগতিৰ মান নিৰ্ণয় কৰা ধাৰণাটো নিসন্দেহে শুদ্ধ ধাৰণা হব নোৱাৰে। শিক্ষাৰ সামগ্ৰিকতা আৰু সাৰ্বজনীনতাৰ মানদণ্ড নিৰূপণ কৰিব লাগিব গাওঁ তথা বিভিন্ন ভিতৰুৱা অঞ্চলৰ শৈক্ষিক স্থিতি বিশ্লেষণ তথা ছাত্ৰালী আৰু স্ত্ৰী শিক্ষাৰ অগ্ৰগতিৰ মূল্যায়নৰ যোগেদিহে। শিক্ষাৰ এই স্থিতি উন্নয়ন তথা সামগ্ৰিক বিকাশৰ প্ৰক্ৰিয়াটো সমাজখনৰ, পৰিয়ালটোৰ অভিভাৱকসকলৰ ভূমিকা যথেষ্ট ইতিবাচক আৰু গুৰুত্বপূৰ্ণ হোৱা উচিত। কেৱল অৰ্থনৈতিক অনগ্ৰসৰতা কে সমাজৰ দৃষ্টিভঙ্গীত শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হিচাপে ধৰি লোৱা হয় যদিও বৰ্তমানৰ সময় আৰু পৰিস্থিতিত চৰকাৰী ভাৱেও শিক্ষাৰ অগ্ৰায়ণৰ বাবে "সৰ্বশিক্ষা আঁচনি", ছোৱালী শিক্ষাৰ বাবে বিশেষ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আঁচনিকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ আৰ্চনি সমগ্ৰ দেশযুৰি প্ৰবৰ্ত্তিত হৈছে। কিন্তু তাৰ পিছতো আমাৰ দেশত স্বাক্ষৰতাৰ হাৰ অতি দুখলগা। বিশেষকৈ ছোৱালীৰ স্বাক্ষৰতাৰ হাৰ আৰু নিম্নগামী। শেহতীয়াকৈ দেশৰ শৈক্ষিক স্থিতি উন্নয়ণৰ বাবে "RTE" শিক্ষাৰ অধিকাৰ আইন ২০০৯ খন প্ৰৱৰ্ত্তন কৰা হৈছে। সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে শিক্ষাৰ দিশত যিখিনি কৰিবলৈ বাকী আছে সেইখিনিৰ ক্ষেত্ৰতো সম্পূৰ্ণ নিশ্চয়তা আনিবৰ বাবে আইনৰো প্ৰৱৰ্ত্তন কৰা হ'ল। গতিকে ইয়াৰ পিছত আমাৰ ৰাজ্যৰ শিক্ষাৰ সামগ্ৰিক চিত্ৰখন উন্নত কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আহি পৰিছে। এইক্ষেত্ৰত শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত ল'ৰা-ছোৱালী সকলেও সমাজৰ পৰা (optimism) অৰ্থাৎ উৎসাহজনক কিবা এটা পাব লাগিব তেতিয়াহে তেওঁলোকে শিক্ষাৰ গুৰুত্ব বুজি সমাজৰ উন্নয়নৰ বাবে আগবাঢ়ি যাবলৈ উৎসাহিত হ'ব। উল্লেখযোগ্য যে এতিয়াও আমাৰ ৰাজ্যত ছোৱালীৰ সাক্ষৰণৰ হাৰ ৬৮.২৮ শতাংশ। পুৰুষৰ সাক্ষৰতাৰ হাৰ ৭১.৯৩ শতাংশৰ বিপৰীতে মহিলাৰ সাক্ষৰতাৰ হাৰ ৫৬.০৩ শতাংশছোৱালীসকল শিক্ষাৰ ক্ষেত্ৰত একেবাৰে পিছপৰি থকা বাবেই সমাজত বহুতো সমস্যা দিনক দিনে বাঢ়ি আহিছে। তদুপৰি আমাৰ সমাজত ছোৱালী বা মহিলাৰ ওপৰত চলি থকা বৈষম্যমূলক আচৰণৰ বাবেও ছোৱালীৰ সাক্ষৰতাৰ হাৰ

(আঠপৃষ্ঠাত চাওক)

# এখন সুন্দৰ পৃথিৱীৰ আকাংক্ষাত

কবিতা শৰ্মা, দিল্লী

আমি বাস কৰা এই মনমোহা সেউজ পৃথিৱীখন, নীলা আকাশৰ বুকুত উৰি ফুৰা আলসুৱা মেঘবোৰ, জোন বেলি তৰা, সাগৰৰ গৰ্জন, নদ নদীৰ ঢৌৰ কলকলনি, বৰফাবৃত সুউচ্চ পৰ্বতমালা, কুলু-কুলুকৈ বৈ অহা পাহাৰী ঝৰ্ণাবোৰ, সেউজ দলিছা সদৃশ ঘাঁহনি, পথাৰৰ সোণোৱালী শইচ, হেঙুলীয়া পখিলা পাখী, শীতল বতাহ জাকত ভাহি অহা সুগন্ধি ফুলৰ মধুৰ সুবাস, সৰু ডাঙৰ জীৱ-জন্তুৰ পৰা ক্ষুদ্ৰাতিক্ষুদ্ৰ কীট-পতঙ্গলৈ এই সকলো বোৰ মিলিয়েই সৃষ্টি হৈছে আমাৰ এই সুন্দৰ প্ৰকৃতি ...যিফালেই চাও সিফালেই প্ৰকৃতিৰ ৰূপসুধা। এনে লাগে যেন প্ৰকৃতিৰ অলেখ সমল গোটাই ৰং - তুলিকাৰে অকা কোনো শিল্পীৰ অপূৰ্ব চিত্ৰৰূপ বা কোনো কবিৰ কল্পনাৰ অপৰূপ বৰ্ণনা। সচাঁকৈয়ে আমাৰ এই বিনন্দীয়া প্ৰকৃতি সৰ্বত্ৰ প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা যেন এক ভিন্ন সত্তা ... কিন্তু হায়! বিনন্দীয়া প্ৰকৃতিৰ এই সন্তুলিত প্ৰাচুৰ্য্যত আঘাত হানিছে জীৱ শ্ৰেষ্ঠ বুলি নিজেই প্ৰশস্তি লাভ কৰা মানুহৰূপী পৃথিৱীৰ সৰ্ববৃহৎ উপাদানটোৱে। নিজ হাতেৰেই আমি ভাঙিচিঙি তচনচ কৰিছো প্ৰকৃতিৰ এই অপূৰ্ব চিত্ৰৰূপ, অপৰূপ বৰ্ণনাৰ সুন্দৰ কবিতা! এই বিনন্দীয়া পৃথিৱীত মনুহ বাচি থাকিবলৈ হ'লে বাচি থাকিব লাগিব সেউজীয়া অৰণ্য আৰু তাত বাস কৰা প্ৰাণীবোৰ। বন্য প্ৰাণী আৰু উদ্ভিদ বিহীন এখন পৃথিৱীত মানুহো বাচি থাকিব নোৱাৰে। ইয়াৰ নিবাৰণৰ একমাত্ৰ উপায় হ'ল প্ৰকৃতিৰ লগত নিকট সম্পৰ্ক ৰাখি বসবাস কৰা। প্ৰকৃতি বুলি কলে কেৱল গছ-গছনি বা জীৱ জন্তু কে নুবুজায় বায়ু, পানী, মাটিও ইয়াৰ অন্তৰ্গত। সেয়েহে প্ৰকৃতি ধ্বংস মানে কেৱল গছ-গছনি, অৰণ্য ধ্বংসই নহয়, মাটি-বায়ু- পানী- শব্দ আদিৰ প্ৰদুষণ আৰু অস্বাস্থ্যকৰ পৰিবেশৰ বাবে হোৱা মানুহ অন্যান্য জীৱ-জন্তুৰ মৃত্যুকো প্ৰকৃতি ধ্বংসৰ অংশ হিচাপে মানি লোৱা হয়।

বৰ্তমান যুগত শিক্ষিত শ্ৰেণীৰ সকলো মানুহে ক্ৰমবৰ্ধমান প্ৰদুষণ- বা ইয়াৰ কাৰণ সমূহ যেনে -- অৰণ্য ধ্বংস, সেউজ গৃহ গেছৰ পৰিমাণ বৃদ্ধি, গোলকীয় উষ্ণিকৰণ, মৰুকৰণ ইত্যাদি কোনো কথাই নজনা হৈ থকা নাই। কিন্তু তথাপিও অশিক্ষিত সকল তো বাদেই শিক্ষিত সকলৰ মাজতো যেন সজাগতাৰ অভাব। স্বচ্ছ ভাৰত কাৰ্যসূচীয়েও আনকি দেশৰ শিক্ষিত শ্ৰেণীৰ লোক সকলৰ মাজত সজাগতা আনিব পৰা নাই। সেয়েহে নিজে পৰিষ্কাৰ-পৰিচ্ছন্ন ধুনীয়া বাসভৱনত থাকিও আমি ভাৰতীয় লোক সকলৰ চৌপাশৰ কদৰ্য পৰিবেশ দূৰীকৰণ আৰু প্ৰদুষণৰ ক্ষেত্ৰত সামান্যতম বৰঙনি আগবঢ়োৱাৰ প্ৰতিও যেন অনীহা। আৰাম প্ৰিয় এই শিক্ষিত আধ্যৰন্ত শ্ৰেণীৰ লোকসকলে এদিনৰ বাবেও নিজৰ বিলাসী গাড়ীৰ বিলাস এৰিব নোৱাৰে। য'ত নেকি পশ্চিমীয়া দেশবোৰত আজিও বাই চাইকেলৰ জনপ্ৰিয়তা হ্ৰাস পোৱা নাই। তাত বহু গণ্য মাণ্য ব্যক্তিয়ে আজিও বাইচাইকেল ব্যৱহাৰ কৰে। ভাৰত চৰকাৰে যিমানেই আঁচনি ঘোষণা নকৰক কিয় যেতিয়ালৈকে ভাৰতৰ সকলো শ্ৰেণীৰ লোকে দেশৰ দায়িত্বশীল নাগৰিক হৈ নুঠে তেতিয়ালৈকে, প্ৰদুষণৰ কলীয়া ডাঁৱৰ আতৰি নাযায়।

৫ জুনৰ দিনটো সমগ্ৰ বিশ্বতে "বিশ্ব পৰিবেশ" দিবস হিচাপে পালন কৰা হয়। ইংৰাজীত চমুকৈ ই "ইক' ডে" হিচাপেও জনাজাত। ১৯৭২ চনৰ ৫ জুনত ছুইডেনৰ ৰাজধানী ষ্টকহ'মত ইয়াৰ সূচনা হয় যদিও এবছৰৰ প্ৰস্তুতিৰে ১৯৭৪ চনৰ ৫ জুনত প্ৰথম বিশ্ব পৰিৱেশ দিবস পালন কৰা হয়। ইয়াৰ সাৰ কথা - পৃথিৱী মাত্ৰ এখনেই..... গতিকে পৃথিৱীৰ সুস্বাস্থ্যৰ ওপৰত কুপ্ৰভাৱ পেলাব পৰা কৰ্ম কাণ্ড বা বিষয় একোটা সাৰ বস্তু হিচাপে লৈ পৰিৱেশ দিবস পালন কৰা হয়। কিন্তু পালন কৰা মানেই বিশ্বৰ পৰিৱেশ শুদ্ধ হৈ যোৱা নুবুজায়। এই দিবস নো প্ৰকৃততে কি, ইয়াৰ তাৎপৰ্যই বা কি, যেতিয়ালৈকে এই বিষয়ে এটা স্পষ্ট ধাৰণা মানুহৰ অন্তৰত হৈ নুঠে তেতিয়ালৈকে ই মুল্যহীন হৈ থাকিব। ৰাষ্ট্ৰসংঘৰ বিশ্বপৰিৱেশ দিবস উদযাপন কৰাৰ প্ৰকৃত উদ্দেশ্য আছিল পৰিৱেশিক বিষয় বোৰলৈ মানুহৰ মনযোগ আকৰ্ষণ



কৰা আৰু পৰিবেশিক ক্ষতি নোহোৱাকৈ পৰিসীমিত আৰু সমানুপাতিক বিকাশৰ বাবে সক্ৰিয় ভাবে কাম কৰিবলৈ মানুহক সুযোগ সুবিধা দিয়া। পৰিৱেশিক সমস্যাবোৰ যাতে সকলো জাতি সম্প্ৰদায়ে বুজি পায় - তাৰ বাবে ব্যৱস্থা লোৱা। প্ৰতি খন ৰাষ্ট্ৰৰ মানুহে যাতে একেখন বিশ্বৰ অংশীদাৰ হিচাপে সমূহীয়াকৈ কাম কৰে। আমাৰ ভৱিষ্যত প্ৰজন্মই যাতে এক নিৰাপদ সমৃদ্ধিময় ভৱিষ্যত উপভোগ কৰিব পাৰে তাৰ সচেতনতা বৃদ্ধি কৰা।

পৰিৱেশ দিবস আমাৰ অসমতো বৰ উলহ মালহেৰে পালন কৰা হয়। এই দিবস উপলক্ষে স্কুল-

(আঠপৃষ্ঠাত চাওক)

# দাম বৃদ্ধি পাব বিলাতী সুৰাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- দাম বৃদ্ধি পাব বিলাতী সুৰাৰ। ১৫ জুনৰ পৰা সকলো ধৰণৰ সুৰাৰ দাম বৃদ্ধিৰ লক্ষ্যৰে আবকাৰী বিভাগে জাৰি কৰিছে ৰাজপত্ৰিত অধিসূচনা। বিভাগটোৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদ স্বক্ষৰিত ইএ'.১৭৬ ২০১৬ পি টি-III ৫১নং অধিসূচনা অনুসৰি জেনেৰেল ব্ৰেণ্ডত প্ৰতিবটলত বৃদ্ধি পাব কমেও ৮০ টকাকৈ । ইণ্ডিয়ান মেইড স্পীটি ৰেগুলাৰ ব্ৰেণ্ডৰ ৭৫০ মিলিলিটাৰ সুৰাৰ বটলত বৃদ্ধি পাব ৯২ টকাকৈ । সেইদৰে ইলিগেন্ট ব্ৰেণ্ডত বৃদ্ধি হ'ব সৰ্বাধিক ১৪১ টকা। ক্লাছিক প্ৰিমিয়াম ব্ৰেণ্ডত সৰ্বাধিক বৃদ্ধি হ'ব ৩৫০ টকাকৈ। উল্লেখ্য যে ২০২০-২১ বৰ্ষত ৰাজহ বিভাগে বিলাতী সুৰাৰ প্ৰায় ১৫ শতাংশ মূল্য বৃদ্ধি কৰিছিল । ৰাজহ বৃদ্ধিৰ লক্ষ্যৰে বিগত বৰ্ষত ১৫ শতাংশ দাম বৃদ্ধিৰ পাছতেই পুনৰ ৬৫ শতাংশ দাম বৃদ্ধিৰ বাবে যোৱা ২ জুনত আবকাৰী বিভাগে প্ৰকাশ কৰা অধিসূচনাই সুৰাপায়ীসকলৰ বাবে কিছু দুঃখবৰ কঢ়িয়াই আনিছে।

# আমি কিমান সচেতন ?

নন্দেশ্বৰ মিলি, যোৰহাট



আমি নিজকে লৈ কিমান সচেতন ?সেই বিষয়ে আমি আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে। কিয়নো আজি আমি নিজে সচেতন নোহোৱাৰ বাবে বিভিন্ন সমস্যাত ভুগি থাকিবলগীয়া হৈছে। আমি সচেতন নোহোৱাৰ বাবে বিভিন্ন শাৰীৰিকগত সমস্যাত ভুগি থাকোঁ। শৰীৰ বা দেহৰ প্ৰতি কোনো সচেতন হৈ যতন নোলোৱাৰ বিভিন্ন সময়ত ৰোগে ভাৰাক্ৰান্ত কৰে। গতিকে সচেতনতাৰ অভাৱে আমাক বিভিন্ন শাৰীৰিকগত বিভিন্ন বেমাৰৰ বাহক বুলিব পাৰি। সচেতনতাৰ অভাৱৰ ফলত আমাৰ বিভিন্ন সমস্যাৰ উদ্ভৱ হয় ।অৰ্থনৈতিক, সামাজিক তথা অন্যান্য এশ-একুৰি সমস্যাৰ সৃষ্টি হয় ।আমি উপাৰ্জনৰ কিছু অংশ ভৱিষ্যতলৈ সাঁচি ৰাখিব লাগে বুলি নজনাৰ বাবে আমি যিমান উপাৰ্জন কৰোঁ তাৰ সকলোখিনিকে ব্যয় কৰি পেলাও। তাৰ ফলত আমাৰ

( ছয় পৃষ্ঠাত চাওক)




# আত্মবিশ্বাস

**ৰাজলক্ষ্মী বৰঠাকুৰ, দেৱৰাজ ৰয় মহাবিদ্যালয় গোলাঘাট**




সকলো ঠিকে চলি আছিল। এদিন হঠাৎ এজাক ধুমুহা আহি মিঠুহঁতৰ সকলো সুখ কাঢ়ি নিলে। তাইক যেতিয়া কৈছে তাইৰ দেউতাক এই পৃথিৱীত আৰু নাই সেই কথা তাই তেতিয়া বিশ্বাস কৰিব পৰা নাই। দেউতাকৰ মৃত্যুৰ পিছত ঘৰৰ অৱস্থা দেখি তাই সহ্য কৰিব নোৱাৰা হল ।মাক আইতাক আৰু বায়েকৰ কথা চিন্তা কৰি তাই থিৰাং কৰিল যে তাই ঘৰৰ সকলো দায়িত্ব গ্ৰহণ কৰিব আৰু কেতিয়াও সিহঁতক দেউতাকৰ অনুপস্থিতি অনুভৱ কৰিব নিদিয়ে। যিতু বয়সত এজনী ছোৱালীৰ খেলা -ধূলা কৰাৰ বয়স সেই সময়ত তাই ঘৰৰ সকলো দায়িত্ব লব লগা হৈছিল। কিন্তু বায়েক মানসী তাইৰ একদম ওলোতা। তাই ঘৰখনৰ কথা একোকে নাভাবে ।তাই নিজক লৈ ব্যস্ত। মিঠু বয়সত সৰু হলেও তাইৰ আত্মবিশ্বাস আছিল প্ৰৱল। তাই পঢ়া-শুনাৰ মাজতে নিজে কাম কৰি ঘৰখন নিয়াৰিকৈ চলাই নিছিল। ইয়াৰ মাজতে বায়েকৰ কাৰণে এটি ভাল পৰিয়ালৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিল। কিন্তু বায়েক মানসীয়ে বেলেগ লৰা এটা ভাল পাই আছিল। সেই কথা ঘৰত কোনেও গম পোৱা নাছিল। তাই ভাবিলে ঘৰৰ পৰা যিতু লৰাৰ লগত বিয়া ঠিক হৈছে তাৰ তুলনাত তাই ভাল পোৱা লৰাটো বেছি ধনী ।সেইকাৰণে তাই তাৰ লগত বিয়া হম বুলি ঠিক কৰিলে। লাহে লাহে বিয়াৰ দিন আহি পালেহি বিয়াৰ দিনা বায়েকে কিবা কাম আছে বুলি ঘৰৰ পৰা বাহিৰলৈ ওলাই গৈছিল। বিয়াৰ দিনাখন কইনা বাহিৰলৈ ওলাই নাযায় বুলি কোৱাৰ পাছতো মাকহঁতৰ কথা নুশুনি ওলাই গৈছিল। দৰা ঘৰৰ মানুহ আহি পালেহি তাই ইমান দেৰি নহা দেখি ঘৰত চিয়ৰ বাখৰ লাগিলে। তাই ৰুমত এখন চিঠি পালে তাইৰ যে বেলেগ লৰা লৈ বিয়া হৈ গৈছে। উপায় নেপাই মাকে ভনীয়েককে অভিৰ লগত বিয়া দিম বুলি ভাবিলে।

প্ৰথমতে মিঠু মান্তি হোৱা নাছিল মাকৰ বুজনিত তাই বিয়া হবলৈ বাধ্য হল। বিয়া হোৱাৰ পাছত বায়েকৰ সলনি তাইক বিয়া দিয়াৰ কাৰণে স্বামী আৰু শাহুৱেকে ভাল ব্যৱহাৰ কৰা নাছিল। এই কথা তাই ঘৰত জানিবলৈ দিয়া নাছিল আৰু ভগৱানৰ ওপৰত বিশ্বাস ৰাখি নিজৰ চেষ্টাৰ বলত সকলোৰে মন জয় কৰিবলৈ সক্ষম হৈছিল। তাইৰ সাহস আৰু সততা দেখি তাইৰ স্বামী অভিয়ে সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়ালে ।তাইৰ সপোন বাস্তৱত পৰিণত হোৱাত অভিয়ে সকলো ধৰণে সহায় কৰিলে আৰু যাৰ কাৰণে তাই পঢ়া -শুনা কৰি এগৰাকী সুদক্ষ প্ৰশাসনিক বিষয়া হিচাপে পৰিচয় দিবলৈ সক্ষম হল।

# Rain Drop

**Nitishman Das**



It's journey start from the deep blue sky,
It seems that the blue heaven will cry.
While raining the clouds release raindrops,
It helps for the girth of farm's crops.
While this time the weather turns to cold,
"Go inside house or ready to wet" the grey clouds told.
When clouds contact they fight, and make a lightning,
After this the sky started raining.
Raindrops kills the dust and sand,
These are raindrops most hated friend.
The raindrops feed water to the trees and plant
The raindrops fails like they're independent.
From blue sky it goes to underground,
While falling on mountain it make sound.
From the mountain it goes to mountain's small stream,
From the stream, fall on the ocean are their dream.
When the droplets arrive by river on the town,
The dam catch it, and this water we own.

# আমি কিমান সচেতন ?


ভৱিষ্যৎ জীৱন সুৰক্ষিত নহয়। ঠিক তেনেকৈ বিজ্ঞানসন্মত চিন্তাধাৰাবোৰ গ্ৰহণ নকৰাৰ বাবে আজিৰ সমাজতো কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ দৰে ব্যাধিসমূহ বৰ্তি আছে। আমি নিজৰ জীৱনটোক লৈ সচেতন নোহোৱাৰ বাবে অখাদ্য, ড্ৰাগছ আৰু অনান্য বিষাক্ত দ্ৰব্যসমূহ সেৱন কৰি আহিছোঁ। আমি সচেতন নোহোৱা বাবে দ্বন্দ্ব-খৰিয়াল, বিচ্ছেদ, হাই-কাজিয়া, দুৰ্নীতি, অপহৰণ, ধৰ্ষণ, ব্যাভিচাৰ আদিৰ দৰে কৰ্মসমূহত লিপ্ত হৈ সমাজৰ শান্তি-শৃংখলা ভংগ কৰিছোঁ ।বিভিন্ন জাত-পাত, ধৰ্ম, খোৱা-বোৱা, উপাসনাক লৈ খোৱা-কামোৰা কৰিছোঁ ।মুঠতে আমাৰ তেনে সমস্যাসমূহৰ মূল কাৰক হৈছে আমাৰ অসচেতনতাৰ জীৱন-প্ৰণালী। সচেতন হোৱা পিতৃ-মাতৃৰ সন্তানবোৰো সকলো দিশতে আগবাঢ়ি থকা দেখা যায়। তেওঁলোকে নিজৰ সন্তানৰ বিকাশ, সমস্যা, প্ৰয়োজনীয়তা ইত্যাদি সকলো দিশৰ প্ৰতি নজৰ দিব পাৰে ।তেনে সচেতনতাই সন্তানৰ বিকাশত ধনাত্মক প্ৰভাৱ পেলায়। যিবোৰ লোকে নিজৰ সবলতা-দুৰ্বলতা সন্দৰ্ভত সচেতনতা থাকে; তেওঁলোকে সকলো দিশতে আগবাঢ়ি যাবলৈ সুযোগ লাভ কৰিব পাৰে। কিয়নো নিজৰ দুৰ্বলতা জনাৰ ফলত তাক সবল আৰু শক্তিশালী কৰি তুলিবৰ বাবে প্ৰচেষ্টা চলাব পাৰে। ঠিক তেনেকৈ নিজৰ সবলতা জনাৰ ফলত সেই দিশত খাপ খোৱা কাম বা বৃত্তি এটা বাছি ল'ব পাৰে। তাৰ ফলত তেওঁ সকলো দিশতে আগৱাঢ়ি যোৱাৰ এটা সুযোগ লাভ কৰিবলৈ সক্ষম হয়। জাগি শুবা, বাছি খাবা বুলি আমাৰ অসমীয়াত এষাৰ কথা আছে। হয় কথাটি সত্য আৰু বাস্তৱিক। কিয়নো যিসকল লোকে নিজে সদা-সৰ্তক হৈ চলিব জানে তেওঁ কোনোদিনে বিপদত নপৰে। তেনে লোকসকল সকলোপিনে চকু-নাক, কাণ আদি সজাগ হৈ থাকে। সচেতনতাই জীৱন সফলতাৰ এক বাট মুকলি কৰিব পাৰে। তেনে সচেতনতাই জীৱনটোক কেনেকৈ আগুৱাই নিব, তাৰ বাবে কি পথ অৱলম্বন কৰিব লাগিব ইত্যাদিৰ দৰে কথা-বতৰাবোৰ মনত উদয় ঘটাব। সচেতনতাই নতুন চিন্তা আৰু নতুন কৰ্ম কৰিবলৈ অনুপ্ৰেৰণা যোগাব। সচেতনতাই জীৱনটোক সঠিক পথ আৰু খোজ দেখুৱাই দিব। তেনে সচেতনাই জীৱনত যিবোৰ কৰ্ম ভুল বুলি ভাবে তাৰপৰা আঁতৰি অহাত আৰু যিবোৰ কৰ্ম কৰাটো বাঞ্চনীয় বুলি ভাবিব তাক দুগুণ উৎসাহেৰে কৰিবলৈও উৎসাহিত কৰিব। জীৱনত বিভিন্ন সমস্যা থাকেই। আমি বিভিন্ন সময়ত বিভিন্ন সমস্যাৰ মুখামুখি হ'বলগীয়া হয়। সেই সমস্যাবোৰ আমি এৰাই চলাটোও সম্ভৱপৰ নহয় ।অৱশ্যে এনে সমস্যাবোৰ সাহসেৰে সম্মুখীন হৈ সমাধা কৰাৰ জৰিয়তে জীৱনৰ প্ৰকৃত মাদকতা উপলব্ধি কৰিবলৈ সক্ষম হ'ব পাৰে। গতিকে তেনে সমস্যাবোৰৰ প্ৰতি সচেতন হ'লে আমি সম্মুখীন হোৱা সময়ত হৈ-চৈ কৰাৰ বিপৰীতে তাৰ মাজতে লুকাই থকা সমাধানৰ পথটো বাচি ল'বলৈ সক্ষম হ'ব পাৰে ।তাৰ ফলত আমাৰ জীৱনটো উৰ্দ্ধমুখী গতি লাভ কৰিবলৈ সুযোগ পাব। সেয়ে সচেতনতাই জীৱনৰ উন্নতি আৰু সুৰক্ষিত হোৱাৰ গুৰুত্বপূৰ্ণ চৰ্ত বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব ।গতিকে আমি জীৱনৰ প্ৰতি মূহুৰ্ততে সচেতনতাৰে প্ৰতি খোজ আগবঢ়াবৰ বাবে সাজু থাকিবলৈ শিকা উচিত।

# মাংস

**জয়ন্ত কলিতা,ৰঙিয়া**




যোৱা কিছু দিনৰ পৰা 'মাংস' নাম টো সামাজিক মাধ্যমত বিশেষ চৰ্চিত। শেহতীয়া কৈ 'মাংস' নাম টোৱে অসমৰ নাট্য জগতত এক আলোড়ন সৃষ্টি কৰিছে ।আচলতে 'মাংস' হল অপু ভৰদ্বাজৰ এটি গল্পৰ আধাৰত অহা ৮ জুন গুৱাহাটী ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ হ'ব লগা এখন নাটক। গল্প নাট্যকাৰ অপু ভৰদ্বাজৰ মত অনুসৰি মানুহৰ সামাজিক, ধৰ্মীয়, ৰাজনৈতিক আনকি অৰ্থনৈতিক চিন্তা - বিশ্বাস আৰু পৰিবেশত মাংসই ক্ৰমাত এক বিৰক্তি কৰ প্ৰভাৱ বিস্তাৰ কৰিছে। মূলতঃ এজন আদিম মানুহৰ চৰিত্ৰ এটিক লৈ মাংস নাটক খন ৰচনা কৰা হৈছে। যদি আদিম যুগৰ এজন লোক আজিৰ যান্ত্ৰিক যুগত হঠাৎ আহি উপস্থিত হয় তেতিয়া হলে কেনে পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে ? ঠিক এনে ধৰণৰ এটা ভাৱ - সূত্ৰ লৈ 'মাংস' নাটক খন দৰ্শকৰ মাজত পৰিবেশন হ'ব। মাংস নাটক খন পৰিচালনা কৰিব পৰিচালক হিমাংশু প্ৰসাদ দাসে ।পৰিকল্পনা আৰু উপস্থাপন কৰিব প্ৰণামী বৰা। নাটক খনত মূখ্য চৰিত্ৰত অভিনয় কৰিব অপূৰ্ব বৰ্মনে। গুৱেৰ্ণিকাত পৰীক্ষা মূলক ভাৱে 'মাংস' নাটক মঞ্চস্থ হোৱাৰ পিছত এই বাৰ দৰ্শকৰ বাবে পোন প্ৰথম বাৰ ৰবীন্দ্ৰ ভৱনত অহা ৮ জুন তাৰিখে মঞ্চায়ন কৰা হ'ব। গুৱেৰ্ণিকাৰ নিৱেদন "মই শ্বাহৰুখ খান হ'ব খোজো", ছাকিৰা আহিব বকুল তলৰ বিহুলৈ, এখন গাঁৱত এটা টিভি আছিল, আদিৰ দৰে সফল চৰ্চিত নাটকৰ পিছত এইবাৰ 'মাংস' নাটক খনে অসমৰ নাট্যপ্ৰেমী ৰাইজক এক নতুন সোৱাদ দিবলৈ সাজু।




তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/

# এখন সুন্দৰ পৃথিৱীৰ

কলেজ, চৰকাৰী বেচৰকাৰী কার্যালয় বিভিন্ন অনুষ্ঠান প্রতিষ্ঠান প্রায় সকলোতে গছপুলি ৰোৱা হয়। কিন্তু তথাপিও এই বিষয়ে আমিবোৰ কিমান সজাগ এই কথা সন্দেহৰ উৰ্দ্ধত নহয়। বর্তমান বৃক্ষৰোপণ কার্য্য একপ্রকাৰ উৎসৱলৈ পৰিণত হোৱালৈ চালে আমাৰ ৰাজ্যখন গছ গছনিৰে নধৰা হৈ পৰিব লাগিছিল যেন অনুমান হয়। কিন্তু কার্য্যক্ষেত্রত তেনে নহয়। কাৰণ গছ পুলিবোৰ কেবল মাত্র দায়সৰাৰ দৰে ৰুই থলেই নহব, সিহঁতৰ উপযুক্ত সুৰক্ষা আৰু প্রতিপালনৰ ব্যৱস্থাও কৰিব লাগিব। আন এক গুৰুত্বপূর্ণ কথা হ'ল চোৰাং চিকাৰীয়ে ৰাজ্যখনৰ বনাঞ্চলৰ পৰা গছ- গছনি কটাৰ লগতে জীবজন্তু হত্যা কৰি থকাটো প্রায়েই বাতৰি কাকত তথা অন্যান্য মিডিয়াত প্রকাশ পাই থকা স্বত্বেও চৰকাৰ আৰু বন বিভাগে ইয়াৰ বিৰুদ্ধে বলিষ্ঠ পদক্ষেপ লব পৰা নাই আৰু তাৰ কাৰণে ইয়াক প্রতিৰোধ কৰাত ব্যর্থ হৈছে। এই ক্ষেত্রত চৰকাৰৰ একো একোটা যন্ত্র সদৃশ বিভাগ আছে যদিও বিভাগৰ বহু কৰ্মীয়ে দুৰ্নীতিত লিপ্ত হৈ দুষ্কৃতিকাৰীৰ লগ লাগি দুষ্কর্ম কৰি আহিছে। চৰকাৰৰ কৌটি কৌটি টকা আত্মসাৎ কৰি আছে। এই ক্ষেত্রত সমাজ সচেতন নাগৰিকৰ উপৰিও বিভিন্ন সন্থা সমূহে গভীৰ ভাবে চিন্তা চৰ্চা কৰাৰ প্রয়োজনীয়তা আৰু সময় আহি পৰিছে।

অবশ্যে এই বিষয়ত কেবল চৰকাৰ, চৰকাৰী বিভাগ বা অন্যান্য সন্থা সমূহৰ ওপৰত দায়িত্ব দি বহি নাথাকি সাধাৰণ ৰাইজৰো এই বিষয়ত কিছু দায়িত্ব আৰু কর্তব্য আছে। প্রাকৃতিক পৰিবেশ ৰক্ষাৰ স্বাৰ্থত প্রথম খোজটো আমি আমাৰ ঘৰখনৰ পৰাই আৰম্ভ কৰিব পাৰোঁ । যেনে --

* প্রতিজন লোকে নিজৰ ঘৰ পৰিষ্কাৰ কৰি ৰখাৰ দৰে ঘৰৰ চৌহদ আৰু আশ-পাশ পৰিষ্কাৰ কৰি ৰখা।

* নিজৰ ঘৰ, চৌহদ, ৰাস্তাৰ কাষত গছ পুলি ৰোপন কৰি সুৰক্ষা আৰু প্রতিপালনৰ ব্যৱস্থা কৰি সুন্দৰ পৰিবেশৰ সৃষ্টি কৰা।

* ঘৰৰ পেলনীয়া সামগ্রী, জাবৰ-জোথৰ য'তে ত'তে নেপেলাই নির্দিষ্ট ডাষ্টবিনত পেলোৱা । আলিবাটত পৌৰসভাই সাজি দিয়া ডাষ্টবিনটোত জাবৰ-জোথৰ বোৰ যাতে বাহিৰত পৰি চৌপাশে দুৰ্গন্ধময় কদৰ্য পৰিবেশৰ সৃষ্টি কৰি মানুহৰ যাতায়তত বাধাৰ সৃষ্টি নকৰে সেই বিষয়ে সচেতন হোৱা ।

* পেট্রল ডিজেলৰ ব্যৱহাৰ যিমান পাৰি কমকৈ কৰা। চাইকেলৰ ব্যৱহাৰে আৰ্থিক দিশত সকাহ দিয়াৰ উপৰিও সুস্বাস্থ্য ৰক্ষাত অৰিহনা যোগায়।

* প্লাষ্টিক আৰু পলিথিনৰ ব্যৱহাৰ সম্পূর্ণ বন্ধ কৰি তাৰ ঠাইত কাপোৰৰ বেগ ব্যৱহাৰ কৰা।

* যিকোনো উৎসৱ পর্বন, বিয়াবাৰু বা জন্মদিনত কৃত্রিম সামগ্রীৰ সলনি যিকোনো জৈবিক সামগ্রী যেনে-কাঠ বাঁহ বেতেৰে প্রস্তুত সামগ্রী, কিতাপ, ফুল, পেইন্টিং, বা যিকোনো গছৰ পুলি উপহাৰ হিচাপে দিব পৰা যায়। পেকিঙৰ ক্ষেত্রতো ৰঙীন বা ফুলাম কাপোৰ বা গছৰ শুকান পাতো সৃষ্টিশীল মনৰ পৰশ পাই সুন্দৰ এটি আবৰণ হব পাৰে।

* বনভোজলৈ গ'লে বনভোজস্থলীৰ আশেপাশে থকা পৰিবেশ যাতে বিনষ্ট নহয়, চাউণ্ড চিষ্টেম উচ্চস্তৰত বজাই যাতে হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি নহয়, আহিবৰ সময়ত বনভোজস্থলী পৰিষ্কাৰ হৈ থকাৰ বিষয় বোৰৰ ওপৰত গুৰুত্ব দিয়া উচিত।

এই কথা সচা যে ঘাই প্রদুষণ বিধ হৈ আছে আমাৰ মনৰ মাজত। এই প্রদুষণ দূৰ কৰিব নোৱাৰিলে বাহিৰৰ বোৰ দূৰ কৰাৰ চিন্তা কৰি বিলাসিতা কৰিব পাৰিলেও পৰিবেশ উন্নতি কৰিব নোৱাৰি।পৃথিবীৰ উন্নত ৰাষ্ট্ৰসমূহত পৰিবেশ নিয়ন্ত্রণ কৰাটো প্রতিজন নাগৰিকৰ কৰ্তব্য বুলি ধৰা হয় কাৰণে সেই দেশসমূহৰ প্রদুষণ আমাৰ দেশতকৈ যথেষ্ট কম। ড° ভূপেন হাজৰিকা দেৱে তেখেতৰ এটি গীতেৰে কৈছিল

বিশ্ব বিনন্দীয়া বুলি ভবা প্রতিজন অসমীয়া
তুমিওতো জানা এটি কথা
আপোন মাতৃৰ অশ্ৰু নমচিলে
বিশ্ব প্রেম হব বৃথা
তুমি বিশ্বৰ পঙ্গু অঙ্গ হ'লে
বিশ্বই জানো ভাল পাব ?

সুন্দৰ বিশ্বখনক আমি সকলোৱে ভাল পাব পাৰো। কিন্তু তাৰ আগতে আমি নিজৰ মাতৃৰ চকুলো মচিব লাগিব। নহলে বিশ্ব প্রেমৰ কোনো মূল্য নাথাকিব। এই সুন্দৰ পৃথিৱীখনত জনমি সচেতন নহলে আমাৰ অস্তিত্বই নোহোৱা হব। বিনষ্ট পৰিবেশৰে পঙ্গু অসমখন জানো বিশ্বৰ বাবে গ্রহণযোগ্য হব ? আহক পৰিবেশ দিবসৰ এই প্রাক ক্ষণত ভবিষ্যতৰ ভয়াবহতাৰ প্রতি লক্ষ্য ৰাখি পৃথিৱীখনক চিৰসেউজীয়া আৰু জীৱকূলৰ উপকাৰী কৰি ৰখাৰ স্বাৰ্থত আমি সকলো ঐক্যবদ্ধ ভাবে ঠিয় দিবলৈ প্রয়াস কৰোঁ ।

আমাৰ পূৰ্বৰ সুজলা সুফলা শস্য শ্যামলা অসমখনৰ পুনৰ উদ্ধাৰ কৰাৰ মানসেৰে আমাৰ কৰনীয় দায়িত্ব খিনি পালন কৰো। বিশ্ববাসী লৈ ইয়াতকৈ ভাল উপহাৰ কি হব পাৰে ? নহলে হয়তো আমাৰ এই সেউজ পৃথিবীখন মঙ্গলগ্রহ সদৃশ নিষ্প্রাণ বলুকাময় গ্রহত পৰিনত হবলৈ বেছি দিন নালাগিব।

# গুৰুত্ব আৰু তাৎপৰ্যৰ পমখেদি

## বিশ্ব পৰিৱেশ দিৱস : এটি অৱলোকন

সুশান্ত দাস, শিৱসাগৰ



প্ৰকৃতিৰ গুৰুত্বৰ বিষয়ে মানুহক সোঁৱৰাই দিবলৈ প্ৰতি বছৰে ৫ জুনত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বতে ইয়াৰ উদযাপনৰ দ্বাৰা পৃথিৱীবাসীক প্ৰকৃতিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ অমূল্য অৱদানৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ প্ৰচেষ্টা চলোৱা হয়। প্ৰতি বছৰে বিশ্বব্যাপী জনসচেতনতাৰ জৰিয়তে পৰিৱেশৰ ওপৰত এক সচেতনতা আনিবলৈ এই দিৱস পালন কৰা হয়। ১৯৭৩ চনৰ পৰা বৰ্তমানলৈকে প্ৰতিবছৰে ৫ জুনৰ দিনা এই দিৱস পালন কৰা হৈ আছে। একোটা উদ্দেশ্যৰে গোটেই বিশ্বই পৰিৱেশ সুৰক্ষাৰ লগত জড়িত শ্লোগান নিৰ্ধাৰিত কৰে। একে ধাৰাৱে বিশ্ব পৰিৱেশ দিৱস পালন কৰিছে এক সময়োপযোগী উদ্দেশ্যক লক্ষ্য হিচাপে লৈ- “প্লাষ্টিক প্ৰদূষণ প্ৰতিৰোধ কৰক”। পৰিচালিত দেশৰ দায়িত্বত আছে আমাৰ ভাৰতবৰ্ষ। আমাৰ দেশৰ প্লাষ্টিকৰ ব্যৱহাৰৰ উচ্চহাৰেই এই দায়িত্ব আকৰ্ষণ কৰিছে। সেয়ে, এই সুযোগতে প্লাষ্টিকৰ প্ৰদূষণ প্ৰতিৰোধ কৰাত ভাৰতবৰ্ষ এক নিদৰ্শন হিচাপে পৰিগণিত হোৱাৰ প্ৰয়োজন আছে। মানুহৰ একমাত্ৰ বাসভূমি এই পৃথিৱীত ক্ৰমে ক্ৰমে প্ৰবলতৰ হৈ উঠা পৰিৱেশজনিত সমস্যা, খাদ্যবস্তুৰ অপচয় আৰু লোকচান, নিৰ্বনানীকৰণ, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰ সমাধান আৰু সজাগতাৰ উদ্দেশ্যে ১৯৭৩ চনৰ পৰাই ৫ জুনৰ দিনটো ‘বিশ্ব পৰিৱেশ দিৱস’ ৰূপে পালন কৰি অহা হৈছে। মানুহৰ জীৱনত সেউজ আৰু স্বাস্থ্যসন্মত পৰিৱেশৰ গুৰুত্ব সম্পৰ্কত বিশ্বজুৰি সজাগতা সৃষ্টিয়ে এই দিৱসৰ মূল লক্ষ্য। পৰিৱেশ-অনুকূল ইতিবাচক কাম-কাজৰ জৰিয়তে আমাৰ চাৰিওফালে মূৰ দাঙি উঠা পৰিৱেশজনিত সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি, সমাজৰ প্ৰতিজন লোকেই যে তেওঁৰ পৰিৱেশ সংৰক্ষণ কৰাত দায়বদ্ধ, এই কামৰ বাবে কোনো বিশেষ ব্যক্তি বা অনুষ্ঠানৰ মুখলৈ আমি চাই থকা উচিত নহয়। সেই ধৰণৰ সজাগতা সমগ্ৰ বিশ্বৰ সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱাটো এই

( নপৃষ্ঠাত চাওক)

# শিক্ষাৰ সামগ্ৰিক

নিম্নগামী হোৱাৰ উপক্ৰম হৈছে। বহুতো দৰিদ্ৰ পৰিয়ালত অভিভাৱকে ল'ৰা সন্তান সকলক যিকোনো উপায়ে পঢ়ুওৱাৰ ব্যৱস্থা কৰে কিন্তু ছোৱালী সন্তান সকলক ধন উপাৰ্জনৰ বাবে আনৰ ঘৰত বনকৰা ছোৱালী হিচাপে বা অসংগঠিত খণ্ডত শ্ৰমিক হিচাপে নিয়োগ কৰা দেখা যায়। সৰ্বশিক্ষা আঁচনিয়ে ১৪ বছৰ বয়সলৈকে বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰাৰ দিনতো কেৱল অভিভাৱকসকলৰ বৈষম্যমূলক আচৰণৰ বাবেই বহু কন্যা শিশু শিক্ষাৰ পৰা বঞ্চিত হয়। অভিভাৱকসসকলৰ এনে শিথিল আৰু বৈষম্যমূলক মনোভাৱৰ বাবে ছোৱালী সকল যে কেৱল শিক্ষা লাভৰ পৰাই বঞ্চিত হয় এনে নহয়। বহু সময়ত এওলোকে খুব কম বয়সতে শাৰীৰিক, মানসিক আৰু যৌন উৎপীড়ণৰো বলি হ'বলগীয়া হয়। বহু সময়ত বিদ্যালয়ত আনকি ছোৱালীসকল শিক্ষকসকলৰ দ্বাৰাও নানা ধৰণে অপদস্থ হোৱাৰ বহুতো তথ্য পোহৰলৈ আহিছে। ইয়াৰ কাৰণেই আনকি বিদ্যালয়লৈ গৈ থকা বহু ছোৱালীয়েও এনে ভয় আৰু শংকাৰ কাৰণেই আধাতে বিদ্যালয়লৈ যাবলৈ এৰি দিয়ে। ঘৰখনৰ সকলো অভিভাৱকেই গভীৰভাৱে চিন্তা কৰি চোৱাৰ খুব প্ৰয়োজন হৈছে ছোৱালী সকলক বিদ্যালয় মুখী কৰিবলৈ আৰু আধাতে বিদ্যালয় এৰা সমস্যাটো নিৰ্মূল কৰিবলৈ ছোৱালী সকলৰ বাবে কেনেধৰণৰ শিক্ষাৰ প্ৰয়োজন। চহৰাঞ্চলত বা গাঁৱ অঞ্চলৰ কোনো কোনো ঠাইত কেইগৰাকী মান চিকিৎসক, অভিযন্তা, অধ্যাপক, বিষয়া আদি ছোৱালীসসকলৰ মাজত গঢ় দিব পাৰিলেও ছোৱালী শিক্ষাৰ মানদণ্ড উন্নত হোৱাতো কেতিয়াও নুবুজায় যেতিয়ালৈকে গাঁৱ আৰু বিভিন্ন ভিতৰুৱা অঞ্চলত আধাতে বিদ্যালয় এৰা ছোৱালীৰ সংখ্যা হ্ৰাস কৰিব পৰা নাযায়, ছোৱালী সকলৰ মাজত শিশু শ্ৰমিক আৰু বাল্য বিবাহৰ হাৰ প্ৰতিৰোধ কৰিব পৰা নাযায়। আনকি চহৰ অঞ্চলতো দেখা গৈছে যে বহু অভিভাৱকেই এতিয়া কেৱল পৰীক্ষাত নম্বৰৰ প্ৰতিযোগিতাৰ দৌৰাত্মত উঠা বহা কৰা দেখা হৈছে, তাৰ পৰিৱৰ্তে লৰা ছোৱালীৰ নৈতিক আৰু সুউচ্চ আৰু সুৰুচি সম্পন্ন মানসিক চিন্তাধাৰাৰ বিকাশত গুৰুত্ব দিয়া দেখা নাযায় । অতি পৰিতাপৰ বিষয় এই যে আজিৰ দিনত পৰীক্ষাত অতি উচ্চমানৰ ফলাফল প্ৰদৰ্শন কৰা বহু ছাত্ৰ ছাত্ৰীয়ে লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, শংকৰদেৱৰ বিষয়ে সামান্যতম জ্ঞানো নাই, ড° ভূপেন হাজৰিকা কোন সেই কথা ক'ব নোৱাৰে, বিষ্ণুৰাভা কি আছিল তাক নাজানে। সমাজ সভ্যতা আধুনিকতাৰ ফালে যিমানেই ধাবিত নহওঁক কিয় স্বদেশ আৰু স্বজাতিৰ ভাষা সংস্কৃতিৰ স্ৰষ্টা সকলক চিনি নোপোৱাটো কোনো কাৰণতেই দেশ আৰু জনগণৰ বাবে শুভ লক্ষণ হ'ব নোৱাৰে । গতিকে অভিভাৱক সকল এনেবোৰ দিশত সচেতন হোৱাতো যথেষ্টই প্ৰয়োজন । গতিকে বৰ্তমান পৰিস্থিতিত সন্তানক, ল'ৰা- ছোৱালীক এনেকুৱা শিক্ষা দিব লাগে যাতে সমাজৰ চৌপাশৰ পৰিবেশৰ লগত খাপ খুৱাই তুলিব পাৰি । ছোৱালীৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে যাতে ছোৱালীয়ে আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত হোৱাৰ উপৰি অৰ্থনৈতিক দিশত নিজকে স্বাৱলম্বী কৰি গঢ়ি তুলিব পাৰে । সময়ৰ পৰিৱৰ্তনৰ লগত নিজকে খাপ খুৱাই তুলিবলৈ সক্ষম হয়, সমাজত থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু বিভিন্ন ভুলধাৰাণা আঁতৰ কৰাত সহায়ক হয় । সমাজত নিজৰ স্থিতি সম্পৰ্কে সজাগ হয় । সমাজত ছোৱালীৰ ওপৰত চলি থকা শোষণ, নিৰ্য্যাতন আদিৰ প্ৰতিবাদ কৰিব পাৰে । তদুপৰি জনসংখ্যা বৃদ্ধি, যৌতুক প্ৰথা, বাল্যবিবাহ হ্ৰাস কৰা বা নিৰ্মূল কৰণৰ ক্ষেত্ৰত ছোৱালী শিক্ষাৰ প্ৰয়োজনীয়তা সৰ্বাধিক। ছোৱালীৰ শিক্ষা নিশ্চিত কৰিবৰ পাৰিলেহে আমি নিজকে সবল কৰি পঢ়ি তুলিব পাৰিম । সেইবাবে প্ৰতিগৰাকী অভিভাৱক তথা পিতৃ মাতৃয়ে তোওঁলোকৰ কন্যা সন্তানক শিক্ষা লাভৰ সুযোগ দিব লাগে আৰু ছোৱালী সকলৰ শিক্ষাগ্ৰহণ কৰাটো নিশ্চিত কৰিবৰ বাবে এক জনজাগৰণ সৃষ্টি কৰিবলৈ সমাজৰ হিতাকাংক্ষী ব্যক্তি অনুষ্ঠান সমুহো আগবাঢ়ি আহিব লাগে।

২১ জেঠ, ১৪২৭ চন Rongili Barta, Date of Publication-- 5 June, 2022

# গুৰুত্ব আৰু তাৎপৰ্যৰ পম খেদি

দিৱসৰ অন্যতম লক্ষ্য। সকলোৰে জানে যে আমাৰ চৌদিশে পৰিৱেষ্টিত হৈ থকা জীৱ আৰু জড় সকলো বস্তুৰ সমষ্টিয়েই হৈছে পৰিৱেশ। আদিৰে পৰা প্ৰকৃতি আৰু পৰিৱেশৰ লগত জীৱ-জগতৰ সকলো প্ৰাণীৰ ওতঃপ্ৰোত সম্বন্ধ। প্ৰাণ প্ৰদায়িনী প্ৰকৃতিৰ ওপৰত জীৱ-জগতৰ সকলো প্ৰাণীয়ে নিৰ্ভৰশীল। গতিকে পৰিৱেশ বিনষ্ট হোৱা মানে মানুহৰ লগতে জীৱ-জগতৰ সকলো জীৱকুলৰে অনিষ্ট সাধন হোৱা। জল প্ৰদুষণ, শক্তি প্ৰদুষণ, শব্দ প্ৰদুষণ, বায়ু প্ৰদুষণ আদি বিভিন্ন কাৰণত পৰিৱেশ বিনষ্ট হৈ আহিছে। পৰিৱেশ দুষিত হোৱাৰ লগতে গোলকীয় উষ্ণতা দিনক দিনে বৃদ্ধি পাই অহা, সাগৰৰ জলপৃষ্ঠ বাঢ়িবলৈ ধৰা, মেৰু অঞ্চলৰ বৰফ গলিবলৈ ধৰা ইত্যাদি বিভিন্ন কাৰণত প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী, সাগৰীয় ধুমুহা আদি সঘনাই হ'বলৈ ধৰিছে। খনিজ সম্পদ দ্ৰুত আহৰণৰ ফলত অঞ্চল বিশেষে ভূ-গৰ্ভ ভাৱসাম্যহীন হৈ পৰিছে আৰু তাৰ পৰিণতিত ভূমিকম্প অহাৰ সম্ভাৱনা অধিক হৈ পৰিছে। প্ৰকৃতি আৰু সেউজৰ তাৎপৰ্য সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ বাবে ৰাষ্ট্ৰসংঘই আয়োজন কৰা বিশ্ব পৰিৱেশ দিৱস হৈছে এক বৃহৎ বাৰ্ষিক অনুষ্ঠান। ৰাষ্ট্ৰসংঘৰ সভাই ১৯৭২ চনত মানৱ পৰিৱেশৰ ওপৰত ষ্টকহোম সন্মিলনৰ প্ৰথম দিনা বিশ্ব পৰিৱেশ দিৱস অনুষ্ঠিত কৰিছিল। ১৯৭৪ চনত, ইয়াক "কেৱল এক পৃথিৱী" বিষয়বস্তুৰে উদযাপন কৰা হৈছিল। তেতিয়াৰ পৰা, বিভিন্ন আয়োজক দেশে ইয়াক উদযাপন কৰি আহিছে। বিশ্ব পৰিৱেশ দিৱস প্ৰথমবাৰৰ বাবে ১৯৭৪ প্ৰতি বছৰে এই দিৱসটি বেলেগ বেলেগ চহৰত, বেলেগ বেলেগ প্ৰতিপাদ্য বিষয় লৈ পালন হয়। উত্তৰ গোলাৰ্ধত দিৱসটি বসন্তত, আৰু দক্ষিণ গোলাৰ্ধত দিৱসটি শৰতত পালিত হয়। ১৯৭৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত উদযাপন কৰা হৈছিল। বিশ্ব পৰিৱেশ দিৱসৰ গুৰুত্ব এতিয়া অধিক। আমি পৃথিৱীত বাস কৰি অহাৰে পৰা পৰিৱেশ সচেতনতা দেখুৱাবলৈ সক্ষম হৈছোঁ যদিও বহু ক্ষেত্ৰত নিজেই পৰিৱেশৰ ধ্বংস কৰাত অৰিহণাও যোগাইছো। কিয়নো পৰিৱেশ তন্ত্ৰৰ প্ৰাথমিক উপাদান সমূহক আমি ধ্বংস কৰি দিছোঁ। পৰিৱেশ দিৱসৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল " প্লাষ্টিক বৰ্জন কৰা "। কিয়নো আমি বছৰে বছৰে টন টন প্লাষ্টিক ব্যৱহাৰ কৰি আহিছোঁ। দৈনন্দিন জীৱনত ইয়াৰ গুৰুত্ব অধিক যদিও ই আমাৰ বাবে যিমানেই আশীৰ্বাদ সিমানেই অভিশাপ। বিশ্বৰ সকলো ঠাইতে এটা দিন হিচাপে এই দিৱসক পালন কৰা হয় যদিও আমি এটা দিনেই নহয় বছৰৰ প্ৰতিটো দিনেই পৰিৱেশ দিৱস হিচাপে পালন কৰিব লাগে, কিয়নো প্ৰাকৃতিক পৰিৱেশ এদিনেই নহয়, সদায়ে ধ্বংস হৈ আহিছে গতিকে সদায়েই পৰিৱেশ দিৱস হ'লেহে পৰিৱেশ নিকা হ'ব। এতিয়াৰ যুৱ প্ৰজন্মক এই দিৱসৰ প্ৰসংগ সম্পূৰ্ণৰূপে চিনাই দিব লাগিব কিয়নো প্ৰকৃতি এতিয়া খুবেই ৰুষ্ট আৰু আমি সন্তানৰ কাৰ্য-প্ৰণালীয়েহে আই প্ৰকৃতিক সন্তুষ্ট কৰিব লাগিব। বিশ্ব পৰিৱেশ দিৱসৰ ২০২০ চনৰ বিষয়বস্তু আছিল "জৈৱ বৈচিত্ৰ্য উদযাপন কৰক" আৰু ২০২১ৰ বিষয়বস্তু আছিল "পৰিস্থিতি তন্ত্ৰ পুনৰুদ্ধাৰ" (Ecosystem Restoration) আৰু এইটো আমাৰ প্ৰতিৱেশী দেশ পাকিস্তান এই বিশেষ দিনটোৰ বাবে বিশ্বব্যাপী আয়োজক আছিল। এই দিনটোত পৰিৱেশতন্ত্ৰ পুনৰুদ্ধাৰৰ প্ৰচেষ্টাৰ বাবে ৰাষ্ট্ৰসংঘৰ দ্বাৰা এক দশক উদযাপনৰ শুভাৰম্ভণ কৰা হ'ল। বিশ্ব পৰিৱেশ দিৱস উদযাপনৰ মূল উদ্দেশ্য হ'ল পৰিৱেশৰ গুৰুত্বৰ বিষয়ে সকলোকে সজাগ কৰা আৰু মানুহক সোঁৱৰাই দিয়া যে প্ৰকৃতিক তেওঁলোকৰ উত্তৰপুৰুষীয় সম্পত্তি ৰূপে বিবেচনা কৰাটো বন্ধ কৰা দৰকাৰ। ৰাষ্ট্ৰসংঘৰ মতে, এই দিনটোৱে আমাক পৰিৱেশৰ সংৰক্ষণ আৰু ইয়াক উন্নীত কৰাৰ ক্ষেত্ৰত সম্প্ৰদায়, উদ্যোগ আৰু ব্যক্তিগত পৰ্য্যায়ত এক সচেতনতা সৃষ্টি আৰু দায়িত্বশীল আচৰণ গ্ৰহণ আৰু বিস্তাৰ কৰাৰ সুযোগ প্ৰদান কৰে। পৰিৱেশে আমাক দিয়া সকলো সম্পদক সন্মান কৰিবলৈ আৰু ইয়াক সুৰক্ষিত কৰিবলৈ সংকল্পবদ্ধ হোৱাৰ বাবে এই দিৱসটো সমগ্ৰ বিশ্বতে উদযাপন কৰা হয়। এই দিনটোত, চৰকাৰ আৰু সাধাৰণ নাগৰিকসকলে সজাগতা সৃষ্টিৰ বাবে পৰিৱেশ সম্পৰ্কীয় একোটা নিৰ্দিষ্ট সমস্যাৰ সমাধানৰ বাবে তেওঁলোকৰ প্ৰচেষ্টা অব্যাহত ৰখাত গুৰুত্ব দিয়ে। আমাৰ দৈনন্দিন জীৱনৰ কাৰ্যকলাপত এক অভাৱনীয় হাৰত প্লাষ্টিক ব্যৱহাৰ কৰি থকা হৈছে। বিকল্প ব্যৱস্থা আছে যদিও সহজতে কম মূল্যতে উপলব্ধ প্লাষ্টিক ব্যৱহাৰ কৰিবলৈ আমি আগ্ৰহী। এবাৰ ব্যৱহাৰ কৰি পেলাই দিয়া বিধৰ প্লাষ্টিকৰ বেগ বা আন সামগ্ৰীৰ ব্যৱহাৰেই বেছি ক্ষতি কৰিছে আমাৰ চৌপাশৰ পৰিৱেশ- বায়ু, পানী, মাটি। প্লাষ্টিকৰ বেগ ব্যৱহাৰ কৰাৰ পিছত য'তে ত'তে পেলাই দিয়া বাবেই সমস্যা সৃষ্টি হৈছে। প্লাষ্টিকৰ উপযুক্ত ব্যৱহাৰৰ অভাৱেই জনস্বাস্থ্যৰ ওপৰতো ভয়াৱহতা আনিব পাৰে। খাদ্য বস্তু প্লাষ্টিকৰ বাচন বা বেগত ৰাখিলে প্লাষ্টিকৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক দ্ৰব্য খাদ্যৰ লগত মিহলি হোৱাৰ সম্ভাৱনা থাকে। সেই খাদ্য গ্ৰহণ কৰিলে কেঞ্চাৰৰ দৰে ভয়াবহ ৰোগত আক্ৰান্ত হ'ব পাৰে। প্লাষ্টিকৰ বেগ বা আৱৰ্জনাই ভূমিস্থল প্ৰদুষিত কৰে। প্লাষ্টিক আৱৰ্জনাৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক দ্ৰব্য বা ক্লৰিণ জাতীয় পদাৰ্থ ভূমিৰ লগত মিহলি হৈ যায় আৰু ক্ৰমান্বয়ে ভূমিস্থলতে পানীৰ লগত মিহলি হৈ যায়। ইয়াৰ অতিমাত্ৰা কাৰণবশতঃ এদিন প্ৰমাণ হ'ব যে টেপৰ পানীতো বিষাক্ত ৰাসায়নিক দ্ৰব্য পোৱা গৈছে। জলস্থলৰ ক্ষেত্ৰত উল্লেখ কৰিব লাগিব যে দিনক দিনে প্লাষ্টিকৰ আৱৰ্জনা সাগৰ, নদী বা বিল আদিৰ পানীৰ লগত মিহলি হৈ আছে। জল-স্থলত থকা জীৱই ইয়াৰ কু-প্ৰভাৱ ভুগিব লগা হৈছে। জল-স্থলৰ জীৱই ভুলতে প্লাষ্টিকৰ আৱৰ্জনাৰ টুকুৰা খাদ্য হিচাপে গ্ৰহণ কৰিছে। এক কথাত ক'বলৈ হ'লে জীৱৰ খাদ্য-শৃংখলত প্লাষ্টিক সোমাই আছে। তথ্যভিত্তিক ব্যাখ্যাৰে উল্লেখ কৰিব লাগিব যে গোটেই বিশ্বত ১০ কোটি টন প্লাষ্টিকজাত সামগ্ৰী বছৰি ব্যৱহাৰ কৰা হয়। Municipal solid wasteৰ ভিতৰত প্লাষ্টিক হ'ল আয়তনত তৃতীয় বৃহৎ সংখ্যক। মোটামুটিকৈ, বিশ্বত বছৰি ১০, ০০০ টন প্লাষ্টিকৰ আৱৰ্জনা সৃষ্টি হয়। ধাৰণা কৰা হৈছে, এই হাৰত প্লাষ্টিক ব্যৱহাৰৰ ফলত ২০৫০ চনত সাগৰ বা জল-স্থল মাছতকৈ বেছি প্লাষ্টিকেৰে ভৰি পৰিব। প্লাষ্টিকৰ পৰা সৃষ্টি হোৱা সমস্যা অকল ইমানেই নহয়। চহৰ অঞ্চলৰ জাৱৰ নিষ্কাশন পদ্ধতিৰ অকৃতকাৰ্যতাৰ আন এটা কাৰণ হ'ল- জাৱৰৰ লগত মিশ্ৰিত ৰূপত থকা প্লাষ্টিক। যাৰ ফলত জাৱৰ পচন প্ৰক্ৰিয়াৰ বাবে ভূমি পূৰণ (land fill) কৰিব নোৱাৰি। প্লাষ্টিক মাটিত পুতিলে ভূমিস্থলৰ পানী পৰিবাহিত হোৱাত বাধা সৃষ্টি হয়। চহৰ অঞ্চলত প্লাষ্টিক নলাত পেলোৱা বাবে এজাক বৰষুণেই কৃত্ৰিম বানপানীৰ সৃষ্টি কৰে। প্লাষ্টিকজ্লাই দিলে বিষাক্ত গেছ নিৰ্গত হয়, যিয়ে আমাৰ বায়ুমণ্ডল প্ৰদুষিত কৰে। প্লাষ্টিকৰ ওপৰত চলিত বিধি "plastic waste management rules, ২০১৬" ৰ নিয়মাৱলী মানি চলিব লাগিব। এই নিয়মাৱলী মতে ৫০ micron thicknessৰ তলত থকা সকলো প্লাষ্টিকৰ বেগ অবৈধ। নাম বা লেবেলবিহীন সকলো প্লাষ্টিকৰ বেগেই অবৈধ আৰু যিকোনো দোকান বা ডীলাৰে এনেধৰণৰ বেগত সামগ্ৰী বিক্ৰী কৰিব নোৱাৰে। পাণ-মচলা, গোটকা আদি প্লাষ্টিকৰ সৰু পেকেটত বিক্ৰী কৰিব নোৱাৰে। খাদ্য জাতীয় সামগ্ৰী বিক্ৰীৰ বাবে virgin প্লাষ্টিকৰ বেগহে ব্যৱহাৰ কৰিব পাৰি। প্লাষ্টিকৰ বেগত চৰকাৰী নিয়ম মতে নিৰ্ধাৰিত নিৰ্দিষ্ট কেইবিধমান ৰঙহে থকাটো বাঞ্চনীয়। অবৈধভাৱে গোপন স্থানত প্লাষ্টিকৰ বেগ নিৰ্মাণ কৰা দৃষ্টিগোচৰ হ'লে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিব লাগে। কৰ্তৃপক্ষই তেনে কাৰ্যকলাপ বন্ধ কৰিব লাগে। কোনেও যাতে প্লাষ্টিক জ্বলাই নিদিয়ে তাৰ বাবে গাঁও পঞ্চায়ত বা পৌৰসভাই দৃষ্টি ৰাখিব লাগে। এই বিধি ভংগ কৰিলে উপযুক্ত আইনগত শাস্তি দিয়াৰ ব্যৱস্থাও আছে যদিও আমি দৰাচলতে দেখা পাওঁ এইবোৰ নিস্ফল হয়।

বিভিন্ন সামাজিক গোট আৰু সম্প্ৰদায়ৰ মানুহক এই দিৱসত জড়িত কৰাই তেওঁলোকক এই বিষয়ৰ সজাগতাৰ ক্ষেত্ৰত সক্ৰিয় নেতৃত্ব ল'বলৈ উৎসাহিত কৰি অহা হৈছে। পৰিৱেশৰ পৰা নেতিবাচক পৰিৱৰ্তনবোৰক বাধা দিয়া নিত্যান্তই দৰকাৰী। নিৰাপদ, পৰিচ্ছন্ন আৰু সমৃদ্ধিপূৰ্ণ ভৱিষ্যৎ এটা পাবৰ বাবে যে আমি আমাৰ চৌপাশ সুৰক্ষিত আৰু পৰিচ্ছন্ন কৰি ৰাখিব লাগে, সেই কথা সাধাৰণ মানুহৰ উপলব্ধিৰ মাজলৈ লৈ যোৱাটোও এই দিৱসৰ গুৰুত্বপূৰ্ণ লক্ষ্য হৈ পৰিছে, যাৰ ফলত বিশ্বৰ জনসাধাৰণে সুস্থ-সবল পৰিৱেশ নিৰ্মাণৰ প্ৰতি সচেতন হ'বলৈ আৰম্ভ কৰিছে। ৰাষ্ট্ৰসংঘৰ দ্বাৰা নিৰ্ণীত একোটা বিশেষ বিষয়ক ভিত্তি কৰি প্ৰতি বছৰৰ বিশ্ব পৰিৱেশ দিৱস উদযাপনকৰা হয়, যাতে এই উদযাপনে অধিক মানুহক সামৰি লয় আৰু অধিক কাৰ্যকৰী হয়। বিশ্ব পৰিৱেশ দিৱসৰ এই বৰ্ষ (২০২১)ৰ মূলমন্ত্ৰ হ'ল-'পৰিৱেশ তন্ত্ৰৰ পুনৰুদ্ধাৰ'। এই মূলমন্ত্ৰৰ উদ্দেশ্য হ'ল বিশ্ব জুৰি প্ৰতিখন মহাদেশৰ, প্ৰতিখন মহাসাগৰৰ পৰিৱেশতন্ত্ৰৰ অৱক্ষয় প্ৰতিৰোধ কৰা, অৱক্ষয়ৰ গতিৰুদ্ধ কৰি পৰিৱশতন্ত্ৰৰ আমূল পৰিৱৰ্তন কৰা, যিয়ে দৰিদ্ৰতা নিৰ্মূল কৰিব, জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব, যাৰ দ্বাৰা সামূহিক বিনাশ ৰুদ্ধ হ'ব। এই সফলতাৰ বাবে বিশ্বৰ প্ৰতিজন নাগৰিক এই মূলমন্ত্ৰৰ অংশীদাৰ হ'ব লাগিব। জল প্ৰদুষণ, শক্তি প্ৰদুষণ, শব্দ প্ৰদুষণ, বায়ু প্ৰদুষণ আদি বিভিন্ন কাৰণত পৰিৱেশ বিনষ্ট হৈ আহিছে। পৰিৱেশ দুষিত হোৱাৰ লগতে গোলকীয় উষ্ণতা দিনক দিনে বৃদ্ধি পাই অহা, সাগৰৰ জলপৃষ্ঠ বাঢ়িবলৈ ধৰা, মেৰু অঞ্চলৰ অতৰ্কিতে বৰফ গলিবলৈ ধৰা ইত্যাদি বিভিন্ন কাৰণত প্ৰাকৃতিক দুৰ্যোগ যেনেঃ বানপানী, সাগৰীয় ধুমুহা আদি সঘনাই হ'বলৈ ধৰিছে। খনিজ সম্পদ দ্ৰুত আহৰণৰ ফলত অঞ্চল বিশেষে ভূ-গৰ্ভ ভাৱসাম্যহীন হৈ পৰিছে আৰু তাৰ পৰিণতিত ভূমিকম্প অহাৰ সম্ভাৱনা অধিক হৈ পৰিছে। গাড়ী-মটৰ, কল-কাৰখানা আদি উদ্যোগসমূহৰপৰা নিৰ্গত হোৱা গেছ বা ধোঁৱাই বায়ু প্ৰদুষণৰ সৃষ্টি কৰি আহিছে। যাৰ ফলত শ্বাস-প্ৰশ্বাসজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ দিনক দিনে বৃদ্ধি পাইছে। কৃষি কাৰ্য্যতো কৃত্ৰিমভাৱে প্ৰস্তুত কৰা ৰাসায়নিক সাৰৰ প্ৰয়োগে মাটি, পানী, বায়ু সকলোতে প্ৰদুষণৰ সৃষ্টি কৰি আহিছে। কৃত্ৰিম সাৰ, কীটনাশক ঔষধৰ প্ৰয়োগে শস্য উৎপাদন বৃদ্ধি কৰিছে ঠিকেই, কিন্তু ইয়াৰ ফলত পৰিৱেশ আৰু মানৱৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। বিশুদ্ধ পানীৰ অভাৱতো বেমাৰ-আজাৰ হৈ নিতৌ মানুহৰ মৃত্যু ঘটিছে। এক সমীক্ষা অনুসৰি ২০৫০ চনত সমগ্ৰ বিশ্বই তীব্ৰ জলসংকটৰ সন্মুখীন হ'বলগীয়া হ'ব। চৌদিশে পানীৰ নাটনিৰ বাবে হাঁহাকাৰ হ'ব। আমাৰ কৃতকৰ্মৰ পৰিণামস্বৰূপে আমাৰ ভৱিষ্যৎ প্ৰজন্মসকলে দুৰ্ভোগ ভুগিবলগীয়া হ'ব। পৰিৱেশ প্ৰদুষণৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে অৰণ্য সংৰক্ষণ কৰাটো অতি আৱশ্যকীয়। আদিৰে পৰা মানুহে গছ-গছনি তথা প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে। কিয়নো অতীজতে আদিম মানৱে গছ-গছনিৰে ভৰা অৰণ্যৰ গুহা, পৰ্বত আদিতে বাস কৰি জীৱন-যাপন কৰিছিল। ফল-মূল খায়েই জীৱন ধাৰণ কৰিবলগীয়া হৈছিল। ৰোগ নিৰাময়ৰ বাবে গছৰপৰাই ঔষধ প্ৰস্তুত কৰিছিল। গছ কাটি ঘৰৰ আচ-বাব, ঘৰ নিৰ্মাণ, দলং নিৰ্মাণ কাৰ্যৰ বাবে বহুতো মূল্যবান গছ কাটি পেলোৱা হৈছিল। ক'বলৈ গ'লে মানৱ সভ্যতাৰ উদ্ভৱ অৰণ্যতে গঢ়ি উঠিছিল। গছে আমাক বিশুদ্ধ বায়ু প্ৰদান কৰাৰ লগতে শীতল ছাঁ দিয়ে। গছ-গছনিৰ শিপাই ভূমি সংৰক্ষণ কৰি বানপানী ৰোধ কৰে। বৰষুণৰ ক্ষেত্ৰটো গছ-গছনিৰ যথেষ্ট অৰিহণা আছে। গছ-গছনিয়ে বৰষুণৰ সহায়েৰে ধূলি-আৱৰ্জনাসমূহ আতঁৰাই পৃথিৱীখনক নিকা কৰি মানুহৰ বাসপযোগী কৰি ৰাখে। গছ-গছনি কাটি ধ্বংস কৰাৰ ফলত বৰষুণৰ পৰিমাণ হ্ৰাস হৈ মাটি টান হৈ খেতিৰ বাবে অনুপযোগী হৈ পৰে। কিন্তু অতি পৰিতাপৰ বিষয় যে ইমানখিনি উপকাৰ সাধনৰ বিনিময়ত মানুহে স্বাৰ্থপৰৰ দৰে বনাঞ্চলৰ গছ কাটি তহিলং কৰি "নিজৰ ভৰিত নিজেই কুঠাৰ মৰা"ৰ দৰে হৈছে। ক'ব নোৱাৰাকৈয়ে মানুহ পৰিৱেশৰ শত্ৰু হৈ পৰিছে। গছ-গছনি কাটি ধ্বংস কৰাৰ পৰিপ্ৰেক্ষিতত গছ-গছনিয়ে এৰি দিয়া অক্সিজেনৰ পৰিমাণ হ্ৰাস

আগলৈ

# সেউজীয়া পৃথিবীৰ সন্ধানত- নাৰী

**ববিতা বৰঠাকুৰ, কুৰালগুৰি**



প্ৰতি বছৰে ৫ জুনত ‘বিশ্ব পৰিৱেশ দিৱস’ হিচাপে পালন কৰা হয়। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি সমগ্ৰ মানৱ জীৱনৰ কল্যাণ সাধন কৰাই এই দিৱসৰ লক্ষ্য, এখন সেউজীয়া পৃথিৱীতহে মানৱ জীৱন সুৰক্ষিত, বিশ্ব পৰিৱেশ দিৱস ২০২২ চনত “Living Sustainably in Harmony with Nature” মূল বিষয় হিচাপেলৈ পৰিৱেশ সচেতনতা গঢ়ি তুলি, পৰিৱেশ ৰক্ষণাবেক্ষণ ৰ সংকল্প লোৱা হৈছে।

পৰিৱেশ সংৰক্ষণ জীৱশ্ৰেষ্ঠ মানুহৰ নৈতিক দায়িত্ব। আদিম কালৰে পৰা প্ৰকৃতি তথা পৰিৱেশৰ স’তে নাৰীসমাজৰ সম্পৰ্ক অতি নিবিড় তথা গভীৰ। প্ৰকৃতিয়েই নাৰী, নাৰীয়েই প্ৰকৃতি বুলি বহু সময়ত কোৱা হয়। পাক ঘৰৰ চাউল, দাইল ধোৱা পানীকণ ৰান্ধনী গৰাকীয়ে সাচি ৰাখে গৰু বা ছাগলী পোৱালীটোলৈ, গৰু গোবৰ, জুহালৰ চাই-জাৰৰ গছ জোপাৰ গুৰিত চপাই শান্তি পোৱা নাৰী গৰাকীয়ে পৰিস্কাৰ পৰিচ্ছন্নতাৰে এখন ঘৰ, গাঁও তথা সুন্দৰ সমাজ গঢ় দিয়ে। সেইদৰেই চৰাই- চিৰিকটি, গছ বন, পশু পক্ষী সকলো সেউজীয়া হৈ থাকে নাৰীৰ হৃদয়ৰ স্নেহ আৰু মমতাত। প্ৰকৃতিৰ লগত একাত্ম হৈ থাকি ভাল পোৱাটো নাৰী আদিম বৈশিষ্ট।

আধুনিক জীৱনে দ্ৰুত গতিত উন্নতি কৰাৰ ফলত যান্ত্ৰিক জীৱন আঁকোৱালি ল’বলৈ যাওঁতে আমি আমাৰ পৰিৱেশ ধ্বংস কৰি আমাৰ নিজৰ কবৰ নিজেই খান্দি গৈ আছো। তাৰ মাজতে আমাৰ গাওঁৰে ভূঞে এনে কিছুমান নাৰী শক্তিৰ সৃষ্টি হৈছে যিসকলক আমি কেতিয়াও টিভি পৰ্দা বা বাতৰি কাকত নাম প্ৰকাশ হোৱা দেখা নাই, এই সকলক বেছি ভাগেই চিনি নাপায় কিন্তু এওঁ লোকেই পৰিবেশ সংৰক্ষণৰ বাবে নিজৰ জীৱন উচৰ্গা কৰি দেশ তথা প্ৰকৃতিৰ ধ্বণী ধৰি আছে।

বৃক্ষ সংৰক্ষণৰ বাবে জীৱন উচৰ্গা কৰা অন্যতম শ্ৰেষ্ঠ নাৰী গৰাকী হ’ল- ২০২২ বৰ্ষত পদ্মশ্ৰী বঁটা লাভ কৰা ‘বাসন্তী ভনী’ বাসন্তী দেৱী। কৌছানীৰ লক্ষ্মী আশ্ৰমত বাস কৰা এই নাৰীয়ে ১২ বছৰ বয়সতে স্বামীক হেৰুৱাই বাসন্তীয়ে গোটেই জীৱন নাৰী সুৰক্ষা, পৰিৱেশ সুৰক্ষাৰ ওপৰত নিজৰ জীৱন উচৰ্গা কৰে। ২০০৩ চনত প্ৰকাশিত এটা বাৰ্তা মতে, বন ধ্বংস চলি থাকিলে উত্তৰাখণ্ডৰ জীৱন আৰু জীৱিকাৰ মূল উৎস কুশী নদী ধ্বংস হ’ব। এই বাৰ্তা পঢ়াৰ লগে লগে বাসন্তী দেৱীয়ে জনসাধাৰণৰ মাজত পৰিৱেশ সচেতনতা সৃষ্টি কৰি বৃক্ষ ৰোপণত মনোনিবেশ কৰে কুশী নদীক সুৰক্ষা দিয়ে। ২০১৬ চনত বাসন্তী দেৱীয়ে নাৰী শক্তি পুৰস্কাৰ লাভ কৰাৰ লগতে ২০২২ বৰ্ষৰ বাবে পদ্মশ্ৰী বঁটা লাভ কৰে। ১৯৮০ৰ দশকৰ আৰম্ভণিতে মধ্য ভাৰতৰ নৰ্মদা নদী উপত্যকা ৰক্ষাৰ উদ্দেশ্যে নৰ্মদা বচাও আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনৰ সৱল নেতৃত্ব গ্ৰহণ কৰিছিল মেধা পাটকাৰে, তেওঁৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছে, বুকাৰ বঁটা বিজয়ী সাহিত্যিক অৰুন্ধতী ৰয়। অসমতো নামনি সোৱণশিৰি নদী বান্ধ বিৰোধী আন্দোলনত আজিও বহু নাৰীয়ে হয় কলমেৰে বা কামেৰে প্ৰতিবাদ জনাই আহিছে।

সাতসত্তৰ বছৰীয়া পদ্মশ্ৰী তুলসী গৌড়াই বৃক্ষ ৰোপণত ব্ৰতী হৈ প্ৰায় ৩০ হাজাৰৰো অধিক বৃক্ষ ৰোপণ কৰি পৰিৱেশ ৰক্ষাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছে। কৰ্ণাটকৰ ৰাইজে এওঁক হাবি-জংঘলৰ সৰ্বজান্ত্ৰা নাম দিছে। ইতিমধ্যে তেওঁৰ প্ৰেৰণাতে বহু নাৰীৰ মাজত পৰিৱেশ সচেতনতা ভাৱ জাগ্ৰত হৈছে।

আমি জানো যে বনাঞ্চল ধ্বংসৰ প্ৰতিবাদ স্বৰূপেই ‘চিপকো’আন্দোলন আৰম্ভ হৈছিল। ‘চিপকো’ শব্দৰ অৰ্থ হ’ল লাগি ‘ধৰা বা ওলমি থকা’। ১৯৭৩ চনত, যেতিয়া চৰকাৰে ঠিকাদাৰ এজনক ৩০০০ হাজাৰ গছ কাটিবৰ বাবে অনুমতি প্ৰদান কৰিছিল। আমৃতা দেৱী নামৰ এগৰাকী মহিলাই গাঁওৰ ২৭ গৰাকী মহিলাক লগতলৈ অৰণ্যৰ একোজোপা গছ সাৱটি, “গছ কটাৰ আগতে আমাক কাটক” বুলি দাবী কৰিছিল। ইয়াৰ লগে লগে এই আন্দোলনত স্থানীয় মহিলা সকলৰ উপৰিও দেশৰ বিভিন্ন অঞ্চলৰ মহিলাসকলে অৰণ্য সংৰক্ষণ আন্দোলনত যোগদান কৰে। এই আন্দোলন বহুদূৰ সফল হয়, চৰকাৰে হিমালয় অঞ্চলত পোন্দৰ বছৰৰ বাবে গছ কটা বন্ধ কৰিলৈ আদেশজাৰি কৰে। ১৯৮৭ চনত ‘চিপকো’ জীৱন ধাৰণৰ অধিকাৰ সন্মান (Right to livelihood Award) লাভ কৰে। এই আন্দোলন সমগ্ৰ বিশ্বত পৰিৱেশ সংৰক্ষণ আন্দোলন প্ৰতীক হৈ পৰিছে।

বিপন্নপ্ৰায় হাড়গিলাৰ পদ্ধতিগত সংৰক্ষণৰ বাবে অসমৰ বন্য প্ৰাণী গৱেষক ২০১৭ চনত গ্ৰীণ অস্কাৰ বঁটা বিজয়ী ‘হাড়গিলা বাইদেউ ’নামে জনপ্ৰিয়তা লাভ কৰা ডঃ পূৰ্ণিমা দেৱীয়ে প্ৰকৃতি সংৰক্ষণ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ‘হাড়গিলা আৰ্মী’ মহিলা সৱলীকৰণৰ এক শক্তিশালী পদক্ষেপ। তেওঁৰ মতে, “মহিলা এগৰাকী যদি পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত দায়বদ্ধ হয়, আমি বহু দূৰ সফল হ’ব পাৰিম।” ইতিমধ্যে তেখেতৰ নেতৃত্বত বহুতো নাৰীয়ে পৰিৱেশ সুৰক্ষাৰ বাবে আগবাঢ়ি আহিছে। অসম দুহিতা নিজৰা ফুকনে অসমৰ পৰা দিল্লীলৈ ‘বৃক্ষ বন্ধু পদ যাত্ৰা ’ সফল কৰি আমাক পৰিৱেশ সুৰক্ষাৰ বাবে অধিক সচেতন আৰু সাহসী কৰি তুলিলে।

পুৰুষ নাৰী বুলি কথা নাই, প্ৰকৃতি থাকিলেহে মানৱ জাতি থাকিব। পৰিৱেশ আন্দোলনৰ কোনো ভৌগোলিক পৰিসীমা নাই, অৰ্থনৈতিক স্বাৰ্থ সিদ্ধিৰ আকাংক্ষা নাই, গ্ৰেট থুনবাৰ্গৰ পৰা কণমানি এলাংবাম ভেলেৰ্ন্টিনা দেৱীলৈকে মানৱজাতিৰ সুৰক্ষাৰ বাবে পৰিৱেশ সুৰক্ষা আন্দোলন কৰিছে। আমি আমাৰ ঘৰ খনৰ পৰাই এই আন্দোলন আৰম্ভ কৰিব নোৱাৰিম কিয় ...। বিজ্ঞান প্ৰযুক্তিৰ জখলা বগাই যাওঁতে আমি এই কথা মনত ৰাখিব লাগিব যে মাটি, বায়ু, পানী, উদ্ভিদ, প্ৰাণী সুৰক্ষিত হ’ব লাগিব। ক’ৰোণা মহামাৰী পৰিৱেশ প্ৰদূষণৰে প্ৰভাৱ, সেই দৰে ৰাছিয়া আৰু ইউক্ৰেনৰ যুদ্ধত ব্যৱহাৰ কৰা পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰই সমগ্ৰ পৰিৱেশৰ বাবে ভাবুকি কঢ়িয়াই আনিছে। সেইহে আমি প্ৰতিজনে পৰিৱেশ সংৰক্ষণৰ বাবে আজি অৰ্থাৎ এতিয়াই সংকল্পবদ্ধ হ’বই লাগিব। কেৱল ৫ জুন নহয়, বিশ্বৰ প্ৰতিজনে প্ৰতি সময়তে পৰিৱেশ সুৰক্ষাৰ বাবে দায়বদ্ধ হ’ব লাগিব, ‘এখন সেউজীয়া পৃথিৱীৰ সন্ধান’ আমাৰ জীৱন অন্যতম ব্ৰত হওক।।

# ‘মোক সেউজীয়া হৈ থাকিবলৈ দিয়া’

**ৰূপালী মহন্ত**



মোক এখন সেউজীয়া পৃথিৱী দিয়া
য’ত হেঁপাহৰ সঁফুৰা মেলি
হাঁহিৰে পাৰ কৰিম উমলি-জামলি।
সেউজীয়া দলিচাখন পাৰি
সেউজীয়াৰ লগত খেলিম
আবেগ ঢালি কথা পাতিম।
তুমি মোৰ সেউজী প্ৰেয়সী
তোমাৰ চেনেহৰ বা-ছাটি
বুকুত বান্ধি লৈ ফুৰিম
সেউজীয়া সপোনটোৰ সতে।
সেউজীয়া আঁচুফুলৰ চাদৰখন
গাত মেৰিয়াই গীত গাই গাই
সেউজীয়া চৰাইটোৱে পখালিব হিয়া।
দুকাষে সেউজীয়া শাৰী শাৰী উশাহ
সেউজীয়া চৰাইটোৰ কোমল নিশ্বাসত
প্ৰাচুৰ্যৰ শব্দলংকাৰে গাঁথিম মালা।
মোক এখন ফুলনি দিয়া
ফুল বোৰে হালি-জালি গোপনে পাতিব কথা
আদৰিম তোমাক
সৌন্দৰ্য্যৰ সুগন্ধি কুসুম ঢালি
পূৱাৰ অৰ্ঘলৈ কৰিম আৰতি।
মোক সেউজীয়া হৈ থাকিবলৈ দিয়া
সেউজীয়া আবিৰ ছটিয়াই
তোমালোকক অনল্প উশাহ দি ৰাখিম
মোক উৎখাত কৰিবলৈ মৰণ ফান্দ নাপাতিবা
মোক সেউজীয়া হৈ জীয়াই থাকিবলৈ দিয়া।

# দাপোন

**অনন্ত কুমাৰ বৰা,গোলাঘাট**



দাপোন দাপোন দাপোন
মনত জাগিছে অলেখ সপোন,
লৰালিত আছিল অলেখ সপোন
পূৰ্ণ নহ’ল কলেজৰ সপোন ।
সপোন সপোন অলেখ সপোন
পূৰ্ণ নহ’ল চাকৰিৰ দাপোন,
চাকৰি তেজিলো মনক বান্ধিলো
কৃষিত কৰিলো মন,
এনেয় থাকি বেয়া লাগিলে
কলমত কৰিলো পৰ্ণ।

# ENGLISH NEWS SECTION

## Governor takes stock of government schemes in Majuli



Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi on the last leg of his two day tour to island district Majuli, held a meeting with the district administration and took stock of implementation of the Central and State government schemes being executed in Majuli. During his meeting with the Deputy Commissioner and other departmental heads in the district, Prof. Mukhi asked the functionaries to ensure that the schemes are implemented in latter and spirit to touch the lives of all sections of people of Majuli. On agricultural front, the Governor took stock of the schemes to achieve farmers' welfare as well as doubling of their income. He asked the Agriculture department to motivate the farmers and ensure their capacity building for increasing rice production as State government will procure their produce with right kind of MSP. The Governor also held a meeting with the Vice Chancellor of Majuli University of Culture and took stock of its academic performances including the infrastructural development. He also visited the site where permanent campus of the university is being made and inspected the progress of the construction works. Later, Governor Prof . Mukhi during his visit to Jorhat district also paid a visit to Assam Women's University. He said that the appointment of a new VC lent a new momentum to the development of the varsity. He also visited Assam Agricultural University and held a meeting with faculty members and administration of the university. He said that the university is playing a vital role in the creation of human resources for the agriculture based economy of the state. He also said that he is taking special initiatives for the development of the university including capacity building of its faculty members. He also visited the JB College(Autonomous), and interacted with the faculty members.

## CM at World No Tobacco Day event



Guwahati, RB News: On the occasion of World No Tobacco Day, Consumers & Legal Protection Forum organized CYCLOTHON with the demand to strengthen tobacco control laws to save lives in collaboration with Consumer VOICE, New Delhi and in association with Cycling Association of Assam & Guwahati Cycling Community today morning at Guwahati. Dr. Himanta Biswa Sarma, chief minister Assam attends the event and encourages the young cyclist comes across the state. He also interacts with the youth in the event and wish them best wished. Before that a flag of ceremony of CYCLOTHON which is organised on the eve of the World No Tobacco Day held in front of the Veterinary College filed, Khanapara. Abhinash Joshi, Principal Secretary Health, Debraj Upadhaya, IGP (CID), Dr. A. C. Kataki, Director, B.Borooah Cancer Institute, Phuleswar Basumatary, Deputy Commissioner of Taxes, Dr. Munindra Narayan Baruah, Director North East Cancer Institute & Research Centre flag of the CYCLOTHON at 6.30 morning where more than 300 youth cyclist participated. In their speech, the dignitaries refer the recent global youth tobacco survey and said that nearly one fifth of students age 13-15 years are using tobacco products in India. They also appeal to observe everyday as no Tobacco day. They describe how tobacco causes cancer. The CYCLOTHON started from Khanapara and cyclists went up to ulubari and again come back to Khanapara. The youth cyclist make a awareness drive on the demand to strengthen tobacco control laws to save lives, implement vendor licensing in Assam, COTPA amendment, removal of DSA among the common people during the CYCLOTHON. Advocate Ajoy Hazarika, Secretary Consumers& Legal Protection Forum and Dr. Tapan Das, Secretary Cycling Association of Assam moderate the event where the young cyclist participated in the CYCLOTHON emphasized & take oath to built a tobacco free society.

## Governor visits Chamaguri and Dakhinpat Satra in Majuli



Guwahati, RB News: Assam Governor Prof. Jagdish along with the first lady today visited Chamaguri Satra in Majuli which is world famous for its age old mask making practices. Visiting the satra he interacted with the Satradhikar and other devotees. He said that he is mesmerized by the range of performance of masks making. He said, "It is an important form of traditional art and the entire process about the mask making is quite crafty and unique and the final output that is the mask becomes so real that it feels like original characters of the Indian epics". The Governor said that the Government is paying great efforts for the enrichment of the Satras of the state. Encroachment is one of the major problems that satras had faced. However, the present government took decisive steps to free satra lands from encroachment. He also called upon everybody in Majuli to work concertedly to uphold the spirit of the Satras which are the very basis vaishnavite culture. Exhibition of mask making process was shown to Governor by Satriya Artiste Khagen Goswami and Bhaona was also organized there by the Satra Authority where some epic scenes from the Ramayana were depicted by the artistes. Later Governor Prof. Mukhi also visited Dakshinpat satra where he witnessed a cultural program performed by little satriya artistes. On the occasion he said that the vaishnavite saint Sankardeva reformed the Assamese society. His disciples like Madhavdev played a pivotal role to uphold and promote his ideals and philosophies. Before Sankardeva, the Assamese society had faced a huge societal challenges like superstitions, illiteracy etc. But Sankardev had wiped off everything using the method of spiritualism. He also said that Satras are playing a significant role to uphold the ideals of the Gurujona. Majuli is the cradle of satriya culture which reflects the identity of beautiful Assam and they are carrying ethos of vaishnavite far and wide transcending all boundaries . He, expressed hope that Majuli Cultural University which is unique in several ways in imparting education of the rich and colourful culture of the land is being developed into a centre of excellence for cultural education in the Northeast. He said that the university will certainly play a significant role to disseminate the regal ethos of Satras and culture of Majuli.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

২১ জেঠ ১৪২৭ চন Rongili Barta, Date of Publication-- 5 June, 2022

## Beauty of the Week



Kangkana Deka

## Photography of the Week



Mourin Priyam Bharadwaj

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

# বিশ্ব পৰিৱেশ দিৱস

**গিৰিমা গোস্বামী, গুৱাহাটী**



বিশ্ব পৰিবেশ দিৱসৰ উপলক্ষে সকলোকে নমস্কাৰ জনাই বহুতো শুভকামনাজ্ঞ াপন কৰিলোঁ।

১৯৭৪ চনৰ জুন মাহৰ ৫ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰত পোন প্ৰথমে "বিশ্ব পৰিবেশ দিৱস" উৎযাপন কৰা হয়। তাৰ পাছৰ পৰাই বিশ্বৰ প্ৰায় সকলো দেশে প্ৰতি বছৰে প্ৰুজুনৰ দিনা এই দিৱস পালন কৰাৰ সিদ্ধান্ত লয়।

জনসাধাৰণৰ মাজত পৰিবেশৰ সজাগতা বৃদ্ধি কৰাই এই দিৱসৰ প্ৰধান উদ্দেশ্য।

এখন দেশৰ উন্নতি নিৰ্ভৰ কৰে সেই দেশৰ জনসাধাৰণৰ "জীৱন শৈলীৰ" ওপৰত। জীৱন শৈলী নিৰ্ভৰ কৰে চাৰিওফালৰ "পৰিবেশৰ" ওপৰত। পৰিবেশ আকৌ নিৰ্ভৰ কৰে গছ-গছনি, তৰু-লতা, গছ-বন, জীৱ-জন্তু, পশু-পক্ষী, নদ-নদীৰ ওপৰত। গতিকে দেখা যায় আমি সকলোৱেই প্ৰত্যক্ষ ভাৱেই হওঁক সকলো ওতঃপ্ৰোতঃ ভাবে জড়িত। আমি পৰিবেশ সংৰক্ষণ কৰিবই লাগিব। মাতৃভূমিৰ পৰিবেশ ৰক্ষা কৰাটো আমাৰ নৈতিক দায়িত্ব।

দেশৰ উন্নয়নৰ কাৰণে পৰিবৰ্ত্তনৰ অতিকে প্ৰয়োজন। পৰিবৰ্ত্তনৰ কাৰণেই নানান অনুষ্ঠান প্ৰতিষ্ঠানৰ স্থাপনৰো প্ৰয়োজন হয়। যাৰ ফল স্বৰূপে- গছ-গছনি কটা, জলাশয় পোতা, পাহাৰ অঞ্চল কটা আদি কাম কৰিব লগা হয়। কিন্তু এইবোৰ কৰিবলৈ যোৱাৰ আগতেই বিকল্প ব্যৱস্থাৰ চিন্তা কৰিব লাগিব আৰু সজাগ হ'ব লাগিব।

ক্ৰমবৰ্দ্ধমান জনসংখ্যা, প্ৰদূষণ, বনাঞ্চলৰ বিনষ্ট, গোলকীয় উষ্ণতা বৃদ্ধি আদিয়ে যাতে পৰিবেশৰ ক্ষতি কৰিব নোৱাৰে তাৰ কাৰণে প্ৰতিজ্ঞাবদ্ধ হৈ হাতত হাত থৈ সকলো আগবাঢ়ি আহিবলৈকে বিশ্ব পৰিবেশ দিৱসৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি প্ৰতি বছৰৰ জুন মাহৰ ৫ তাৰিখটো "বিশ্ব পৰিবেশ দিৱস" হিচাপে ঘোষণা কৰা হয়। প্ৰতি বছৰে এটা বিশেষ বিষয় লৈ এই দিৱস উৎযাপন কৰা হয়।

জীৱকুলক সকলো ফালৰ পৰা মৰমেৰে আৱৰি ৰখা বায়ু, পানী, মাটি, উদ্ভিদ কোনো প্ৰকাৰে যাতে প্ৰদূষিত হ'ব নোৱাৰে তাৰ বাবে আমি সকলো দায়বদ্ধ।

বিজ্ঞ জনে কৈ গৈছে-

"জননী জন্মভূমিশ্চ
স্বৰ্গাদপি গৰীয়সী"

স্বৰ্গৰ সৌন্দৰ্য্য হেনো চকুত চাট মাৰিযোৱা অতি মনোৰম কিন্তু...

আমাৰ জন্মভূমি, মাতৃভূমি বিশ্বখন কম ধুনীয়া নে? প্ৰকৃতিয়ে সকলো প্ৰাণীৰে প্ৰয়োজন খিনি উদাৰচিতিয়া তাৰেই প্ৰদান কৰি আছে। আমাৰ চাৰিওফালে ৰামধেনুৰ সাতো ৰঙেৰে ৰহনীয়া, সুগন্ধি ফুলেৰে সু শোভিত ধৰিণী, পক্ষী কুলৰ সুমধুৰ ধ্বনি, গছ-গছনি, নদ-নদীৰ মৃদু ঐক্যতান, জলজ প্ৰাণীৰ জলক্ৰিয়াৰে এখন মনোমোহা প্ৰতিচ্ছবি সকলোৰে আগত ভাঁহি উঠে। সেইখন প্ৰতিচ্ছবিয়েই হৈছে সকলোৰে মৰমৰ, আদৰৰ মাতৃভূমি আমাৰ পবিত্ৰ জন্মভূমি বিশ্বখন।

সুস্থ বাতাবৰণ থাকিলেহে পৃথিৱীখনক সুষ্ঠভাৱে আগবঢ়াই ২০২২ চনৰ বিশ্ব পৰিবেশ দিৱসৰ বিষয়- "মাত্ৰ এখন পৃথিৱী" ক সন্মান সহকাৰে আদৰিব পাৰিম। কবি সাহিত্যিক স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ কবিতা-

"অ, মোৰ আপোনাৰ দেশ
অ, মোৰ চিকুণী
এনেখন শুৱলা, এনেখন সুফলা
এনেখন মৰমৰ দেশ"

কবিতাৰ আৰ্হিত এখন মৰমৰ পৃথিৱী গঢ়াৰ উদ্দেশ্য আগত ৰাখি-

আঁহক আমি বিশ্বৰ সকলো মিলিজুলি এখনি চিকুণী, শুৱলা সুফলা বিশ্বৰ দিশে আগবাঢ়ি যাওঁ। পৰিবেশ প্ৰদূষণ কৰিব পৰা সকলো মাধ্যমৰ পৰা বিৰত থাকি এই পবিত্ৰ দিনটোত নিজৰ ঘৰতেই হওঁক বা কোনো ৰাজহুৱা স্থানতেই হওঁক অন্তত এজোপাকৈ বৃক্ষ ৰোপণৰ সংকল্প লৈ, বিশ্ববাসীক ৰক্ষা কৰাৰ দায়িত্ব কান্ধ পাতি সজাগতাৰ বাণী চাৰিও দিশে বিলাই দিওঁ।

## Art of the Week



Satarinchi Acharjya

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286